# অন্বেষণ

নৱম বছৰ ■ একাদশ সংখ্যা ■ ডিচেম্বৰ, ২০২২



## এশ বছৰীয়া যুদ্ধ

## কটন কেণ্ডী



## গাইডিনলিউ : ৰাণী, পৰ্বতকন্যা



## জোনাকীক জানো আহা

## জেনেৰিক ঔষধ

# স্বাধীনতা লাভ কৰাৰ আগতে ভাৰতবৰ্ষত প্ৰচলিত কেইবিধমান কাগজী মুদ্ৰা


















# অন্বেষণ

**নৱম বছৰ, একাদশ সংখ্যা, ডিচেম্বৰ, ২০২২ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **জেনেৰিক দৰব—কি আৰু কিয়?**
■ অভিজিত শৰ্মা বৰুৱা

৬ **এশ বছৰীয়া যুদ্ধ**
■ পৰিণীতা চেতিয়া

৮ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

১১ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১২ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৮ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২০ **গাইডিনলিউ : ৰাণী, পৰ্বতকন্যা**
■ অলকা গোস্বামী

২২ **জোনাকীক জানো আহা**
■ পল্লৱী গোস্বামী

২৩ **কৰ্প'ৰেট ফাইনেন্স**
■ জোনালী দেৱী

২৫ **স্নিগ্ধ ছায়া**
■ উৎকলিকা ডেকা

২৭ **শান্ত হ'ল পশ্চিম সীমান্ত**
■ জাগৃতি বৰুৱা

২৮ **সাহসৰ প্ৰমাণ**
■ শ্বাছমীন জেছীনা আলিম

২৯ **আলাবৈ ৰণ, শৰাইঘাটৰ যুদ্ধ আৰু লাচিত বৰফুকন**
■ ময়ংক পাঠক

৩১ **আইতা**
■ পাৰ্থ প্ৰতিম সাহা

৩১ **বৰষুণ**
■ কবীৰ হুছেইন

৩১ **মা**
■ মৃন্ময় শৰ্মা

৩১ **পখিলা**
■ নম্ৰতা কাশ্যপ

৩২ **কুইজ**
■ হিৰণ্য কলিতা

৩৩ **পদ্মনাথ গোহাঞিবৰুৱা**
■ সুদীপ্তা চৌধুৰী

৩৪ **চুড'কু**

৩৫ **কটন কেণ্ডী**
■ হিমাশ্ৰী ডেকা

৩৬ **Did You Know**
■ Jyotirupa Das

৩৭ **The Merchant of Venice**
■ Priom Saikia

৩৮ **কাগজী মুদ্ৰাৰ প্ৰচলন**
■ মানসী বৰুৱা

৪০ **স্মৰণীয় সময়, স্মৰণীয় ঘটনা**
■ অপৰ্ণা দেৱী

**সম্পাদক** : ডাঃ নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ডঃ লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাৰি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# জেনেৰিক দৰব—কি আৰু কিয়?

অভিজিত শৰ্মা বৰুৱা



আমাৰ দেশৰ সাধাৰণ মানুহৰ বাবে এক ডাঙৰ সমস্যা হ'ল—চিকিৎসা সেৱা। প্ৰায়ভাগ লোকৰ ক্ষেত্ৰতে চাউলমুঠি যোগাৰ কৰাটো সমস্যা নহয়। কিন্তু পৰিয়ালৰ কাৰোবাৰ অসুখ হ'লে তেওঁলোক একেবাৰে দিশহৰা হৈ যায়। চিকিৎসকৰ খৰচ, পৰীক্ষা-নিৰীক্ষাৰ খৰচ, দৰবৰ খৰচ—এই আটাইবোৰে মিলি তেওঁলোকক সৰ্বস্বান্ত কৰি পেলায়, কিন্তু তৎসত্ত্বেও বেমাৰ ভাল নহ'ব পাৰে। অসুখ ডাঙৰ আৰু দীঘলীয়া হ'লে, অৰ্থাৎ দৰব-পাতিৰ বাবে বহু ধনৰ প্ৰয়োজন হ'লে, অসহায়ভাৱে মৃত্যুলৈ বাট চাই থকাৰ কোনো বিকল্প নাথাকে। এই ক্ষেত্ৰত জেনেৰিক দৰবে কিছু গুৰুত্বপূৰ্ণ সহায় কৰিব পাৰে।

## সত্যমেৱ জয়তে

কিছু বছৰ আগতে আমিৰ খানৰ বিখ্যাত টেলিভিছন শ্ব' 'সত্যমেৱ জয়তে'ত ভাৰতৰ চিকিৎসা ব্যৱস্থাতে 'ৰোগ' আছে নেকি—এনে ধৰণৰ এক প্ৰশ্ন তোলা হৈছিল। টেলিভিছনৰ পৰ্দাত দেখুওৱা হৈছিল—কেনেকৈ চিকিৎসকে ব্যৱস্থাপত্ৰত লিখা দৰব কিনিবলৈ গৈ তাৰ চৰা দামৰ বাবে ৰোগী বা ৰোগীৰ আত্মীয়ৰ হাৰাশাস্তি হয়। তাৰ পাছত আন এজন চিকিৎসকে লিখা ব্যৱস্থাপত্ৰমতে দৰব কিনা এজন লোকৰ দৰবৰ বিলখন দেখুওৱা হৈছিল। আৰে! ইমানবোৰ দৰব আৰু দাম মাত্ৰ কেইশমান টকা! পাছত চিকিৎসককে ধৰি কে'বাজনৰো সাক্ষাৎকাৰ লোৱা হৈছিল আৰু জনা গৈছিল যে সেয়া হ'ল জেনেৰিক দৰব, যাৰ গুণ আৰু ক্ৰিয়া বজাৰত পোৱা দামী ব্ৰেণ্ডেড দৰবৰ দৰে একেই, কিন্তু দাম অবিশ্বাস্যভাৱে কম।

বহুতো লোকে তেতিয়াহে জেনেৰিক দৰবৰ কথা গম পাইছিল। দুখীয়া মানুহক অতিশয় সহায় কৰিব পৰা এনে কমদামী দৰবে সকলোৰে হৃদয় স্পৰ্শ কৰিছিল। আমিৰ খানৰ এই টেলিভিছন শ্ব'ৰ প্ৰভাৱ চৰকাৰী কৰ্তৃত্বসম্পন্ন লোকসকলৰ ওপৰতো নিশ্চয় পৰিছিল। কাৰণ, তাৰ পাছতে মহাৰাষ্ট্ৰ চৰকাৰে সিদ্ধান্ত লৈছিল যে তেওঁলোকে সমগ্ৰ ৰাজ্যতে জেনেৰিক দৰবৰ ষ্ট'ৰ বা দোকান স্থাপন কৰিব।

## দুখীয়া লোকৰ বাবে সকাহ

ভাৰতৰ দৰে দুখীয়া আৰু ৰুগীয়া দেশ এখনত বহু দুখীয়া লোকৰ বাবে চিকিৎসা সেৱা উপলব্ধ নহয়। কিছুমানে খৰচৰ ভয়তে আধুনিক চিকিৎসা সেৱা গ্ৰহণ নকৰে আৰু স্থানীয় বেজ-জ্ঞানীৰ সস্তীয়া দৰব বা বেজালিকে আশ্ৰয় কৰি অকাল মৃত্যুক সাবটি লয়। বহু দূৰ গৈ চৰকাৰী চিকিৎসক পোৱা গ'লেও ব্যৱস্থাপত্ৰত লিখা দৰবসমূহৰ ক্ষেত্ৰত কি হ'ব? বেছিভাগ দৰব চৰকাৰী চিকিৎসালয়ত পোৱা নাযায়, আৰু আন ফাৰ্মাচীত সেই দৰব কিনিবলৈ যিমান ধন লাগিব, সেয়া দুখীয়া লোকজনৰ ওচৰত থকাটো সম্ভৱ নহয়। গতিকে চিকিৎসা লোৱা-নোলোৱা একেই হ'ল। এই ক্ষেত্ৰত দুখীয়া লোকজনক যি সহায় কৰিব পাৰিলেহেঁতেন, সেয়া হ'ল চিকিৎসকে লিখা জেনেৰিক দৰবৰ ব্যৱস্থাপত্ৰ আৰু ওচৰতে থকা তেনে জেনেৰিক দৰবৰ এখন ষ্ট'ৰ।

কেৱল ভাৰতৰ ক্ষেত্ৰতে নহয়, প্ৰতিখন দুখীয়া

দেশৰ দুখীয়া লোকসকলৰ বাবে জেনেৰিক দৰব এক ডাঙৰ সকাহ।

## জেনেৰিক দৰবনো কি?

জেনেৰিক দৰব হ'ল এটা ব্ৰেণ্ডেড বা ব্ৰেণ্ড নামৰ দৰবৰ সদৃশ আৰু একে ধৰণে কাৰ্য্যকৰী আন এক দৰব। বজাৰত বিক্ৰী কৰাৰ আগতে এটা জেনেৰিক দৰব কোনো ব্ৰেণ্ড নামৰ দৰবৰ সৈতে 'জৈৱসদৃশ' (Bio-identical) হ'ব লাগে। বিভিন্ন কাৰণত জেনেৰিক দৰবৰ দাম যথেষ্ট কম।

জেনেৰিক দৰবৰ প্ৰচলনত অৱশ্যে চিকিৎসক-সকলৰো যথেষ্ট ভূমিকা আছে। তেওঁলোকে যদি ব্যৱস্থাপত্ৰত দামী ব্ৰেণ্ডেড দৰবৰ নাম লিখে, তেতিয়া ৰোগীসকলে তেনে দৰব কিনিবলৈ বাধ্য যেন হৈ পৰে। আমেৰিকা যুক্তৰাষ্ট্ৰত এতিয়া চিকিৎসকৰ ব্যৱস্থাপত্ৰত লিখা ৮০ শতাংশ দৰবেই জেনেৰিক দৰব। ভাৰতত তেনে পৰিসংখ্যা নাই যদিও ধাৰণা কৰা যায় যে এই মান যথেষ্ট কম। অৱশ্যে কৃতিস্বত্বৰ ম্যাদ উকলি নোযোৱা বহুবিধ দৰবৰে এতিয়ালৈকে জেনেৰিক ৰূপ ওলোৱা নাই। আনহাতে কৃতিস্বত্বৰ ম্যাদ উকলি যোৱাৰ পাছতো কিছুমান ব্ৰেণ্ডেড দৰবৰ জেনেৰিক প্ৰকাৰ ওলোৱা নাই বাবে ব্ৰেণ্ডেড দৰবসমূহেই চৰা দামত বিক্ৰী হৈ আছে।

## ব্ৰেণ্ডেড দৰব

কোনো এটা দৰবৰ বিকাশৰ বাবে বিজ্ঞানীৰ একোটা দলে যথেষ্ট শ্ৰম তথা সময় খৰচ কৰিব লাগে। লগতে পৃষ্ঠপোষক প্ৰতিষ্ঠানটোৰ খা-খৰচতো আছেই। এটা ব্ৰেণ্ড নামৰ দৰবৰ কৃতিস্বত্ব লাভ কৰিবৰ বাবে অন্ততঃ ১০-১৫ বছৰৰ গৱেষণা, পৰীক্ষা-নিৰীক্ষা আদিৰ প্ৰয়োজন। দৰববিধে কাম কৰিব বুলি নিশ্চিত হোৱাৰ পাছত সেই দৰব কিছুমান বিশেষ প্ৰাণী বা জন্তুৰ ওপৰত প্ৰয়োগ কৰিব লাগে। তাৰ ফলাফল ইতিবাচক হোৱাৰ পাছত এইবাৰ পৰীক্ষা কৰিব লাগে স্বেচ্ছাই আগ বাঢ়ি অহা কোনো ৰোগী বা মানুহৰ ওপৰত। তেওঁলোকৰ ক্ষেত্ৰত দৰবে কাম কৰিছে বুলি প্ৰমাণিত



হ'লেও সেই দৰব কিমান নিৰাপদ বা তাৰ কিবা নেতিবাচক পাৰ্শ্বক্ৰিয়া আছে নেকি, সেই সম্পৰ্কেও নিশ্চিত হ'ব লাগিব। ইমানখিনিৰ পাছতহে কৰ্তৃত্বসম্পন্ন কৰ্তৃপক্ষৰ পৰা অনুমতি পোৱাটো সম্ভৱ। তাৰ পাছত সেই দৰব উৎপাদনৰ বাবে ফেক্টৰী স্থাপন কৰিব লাগিব আৰু তাত দৰবৰ উৎপাদন, পেকেজিং আদি হ'ব লাগিব। বিপণন বিভাগে বজাৰত সেয়া উলিয়াই দিব লাগিব।

দৰবটোৱে সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা অনুমোদন পালে তাৰ বিকাশ, উৎপাদনৰ লগত জড়িত কোম্পানীটোৱে এক কৃতিস্বত্ব লাভ কৰে। তাৰ জৰিয়তে কেৱল সেই প্ৰতিষ্ঠানটোৱে দৰববিধৰ উৎপাদন আৰু বিপণনৰ অনুমতি অৰ্জন কৰে। অৰ্থাৎ সেই প্ৰতিষ্ঠানৰ বাহিৰে আন কোনেও দৰববিধ উৎপাদন কৰি বজাৰত মেলি দিব নোৱাৰে। তেনেকৈয়ে এবিধ ব্ৰেণ্ডেড দৰবৰ সৃষ্টি হয়।

## জেনেৰিক দৰবৰ প্ৰৱেশ

ব্ৰেণ্ডেড দৰবৰ বিকাশ তথা উৎপাদন কৰা প্ৰতিষ্ঠানটোৱে যি কৃতিস্বত্ব লাভ কৰে, সেই কৃতিস্বত্ব অনিৰ্দিষ্ট কালৰ বাবে নহয়। নিৰ্দিষ্ট সময়ৰ মূৰত সেই কৃতিস্বত্বৰ ম্যাদ উকলি যায় আৰু আন প্ৰতিষ্ঠানেও তেতিয়া সেই দৰব উৎপাদন কৰিব পাৰে। ব্ৰেণ্ড নামৰ গৰাকীৰ উপৰি আন প্ৰতিষ্ঠানে উৎপাদন আৰু বিপণন কৰা সেই দৰববিধক তেতিয়া কোৱা হয় জেনেৰিক দৰব বা সেই দৰবৰ জেনেৰিক প্ৰকাৰ।

কোনো দৰবৰ জেনেৰিক ৰূপ প্ৰস্তুত কৰা আন প্ৰতিষ্ঠানে এই কথা প্ৰতিপন্ন কৰিব লাগিব যে

তেওঁলোকে তৈয়াৰ কৰা দৰবটো মূল ব্ৰেণ্ড দৰবটোৰ সৈতে একেবাৰে একে হয়। এই ক্ষেত্ৰত 'জৈৱসদৃশ' শব্দটো ব্যৱহাৰ কৰা হয়। দুটা দৰব জৈৱসদৃশ হোৱাৰ অৰ্থ হ'ল এটা দৰব মূল দৰবৰ সৈতে নিম্নোক্ত ক্ষেত্ৰত একে হ'ব লাগিব ঃ

- ই একে প্ৰকাৰত থাকিব লাগিব (টেবলেট, কেপছুল বা জুলীয়া)।
- দুয়োবিধ দৰব একে ক্ষমতাৰ হ'ব লাগিব।
- দুয়োবিধ দৰব একেই নিৰাপদ হ'ব লাগিব।
- দুয়োবিধ দৰব সেৱন কৰা পদ্ধতি একে হ'ব লাগিব (মুখেৰে খোৱা, ইনজেকছন দিয়া ইত্যাদি)।
- দুয়োবিধ দৰবৰ মান একে হ'ব লাগিব।
- দৰবটো কেনেকৈ দেহৰ ভিতৰৰ ৰক্তস্ৰোতৰ লগত মিলি যাব আৰু ই কেনেকৈ কাম কৰিব—সেই পদ্ধতি একে হ'ব লাগিব।

এইকেইটা চৰ্ত পূৰণ কৰিলেহে এবিধ দৰবে আন এবিধ মূল ব্ৰেণ্ডেড দৰবৰ জেনেৰিক প্ৰকাৰ বুলি স্বীকৃতি লাভ কৰে।

যদি কিছুমান ক্ৰিয়াবিহীন উপাদান ব্ৰেণ্ডেড দৰবত থাকে, তেন্তে সেই উপাদানবোৰ জেনেৰিক দৰবত নাথাকিলেও হয়। জেনেৰিক দৰবৰ ক্ষেত্ৰত মূল কথা হ'ল যে তেজত একে দ্ৰব্য প্ৰায় সমান পৰিমাণত যাব লাগিব। কেৱল উপাদানেই নহয়, জেনেৰিক দৰবৰ উৎপাদন, পেকেজিং আৰু টেষ্টিং বিভাগো ব্ৰেণ্ডেড প্ৰতিষ্ঠানটোৰ সৈতে একে মানৰ হ'ব লাগিব। এইবোৰ সুবিধা পাবৰ বাবে এতিয়া কিছুমান জেনেৰিক দৰব, ব্ৰেণ্ডেড প্ৰতিষ্ঠানটোৱে ব্যৱহাৰ কৰা একে উৎপাদন গোটতে তৈয়াৰ কৰা হয়।

## জেনেৰিক দৰবৰ দাম কম কিয়?

জেনেৰিক দৰব প্ৰস্তুত কৰা প্ৰতিষ্ঠানটোৱে সেই বিশেষ দৰবটোৰ গৱেষণা, উদ্ভাৱন, পৰীক্ষা-নিৰীক্ষা, অনুমোদন লোৱা আদি কোনো কামৰ বাবে একো অৰ্থ খৰচ কৰিব নালাগে। আনে উলিয়াই যোৱা ফৰ্মূলা অনুসৰি সেয়া তৈয়াৰ কৰি গ'লেই হ'ল। কেৱল মাত্ৰ কেঁচামাল আৰু তৈয়াৰ কৰাৰ খৰচ। সেইবাবে জেনেৰিক দৰববোৰৰ দাম যথেষ্ট কম হয়। তদুপৰি কৃতিস্বত্বৰ ম্যাদ উকলি গ'লে কে'বাটাও প্ৰতিষ্ঠান একেলগে এই দৰবৰ জেনেৰিক ৰূপ প্ৰস্তুত কৰাৰ বাবে আগ বাঢ়ি আহে। সেই প্ৰতিষ্ঠানকেইটাৰ নিজৰ মাজতে আকৌ প্ৰতিযোগিতা হয়। সেই সুস্থ প্ৰতিযোগিতাৰ বাবে দৰবৰ মূল্য অধিক কমি যোৱাৰ সম্ভাৱনা থাকে। তদুপৰি ব্ৰেণ্ড নামৰ বাবে কৰিবলগীয়া খৰচো জেনেৰিক দৰবত নাথাকে।

## জেনেৰিক দৰববোৰ মূল দৰবৰ দৰেই ক্ৰিয়াশীল আৰু নিৰাপদ নে?

ইয়াৰ উত্তৰ হ'ল—হয়। যি প্ৰতিষ্ঠানে জেনেৰিক দৰব উৎপাদন কৰিছে, তেওঁলোকে এই কাম কৰাৰ আগতে এটা কথা সন্দেহাতীতভাৱে প্ৰমাণ কৰিবই লাগে যে তেওঁলোকৰ জেনেৰিক দৰববোৰ মূল ব্ৰেণ্ডেড দৰবৰ দৰেই ক্ৰিয়াশীল আৰু নিৰাপদ। এতিয়ালৈকে বহুকেইটা পৰীক্ষা চলোৱা হৈছে আৰু তাৰ কোনো এটাটো ব্ৰেণ্ড নামৰ দৰবে জেনেৰিক দৰবতকৈ বেছি ভালকৈ কাম কৰাৰ প্ৰমাণ পোৱা হোৱা নাই।

সাধাৰণতে জেনেৰিক দৰববোৰ মূল দৰবৰ লগত ৮০-১২৫% জৈৱসদৃশ হ'ব লাগে। উদাহৰণস্বৰূপে, যদি কোনো মূল দৰবৰ ১০০ মিলিগ্ৰাম তেজত প্ৰবেশ কৰে, তেন্তে তাৰ জেনেৰিক ৰূপৰ দৰবৰ ৮০ৰ পৰা ১২৫ মিলিগ্ৰাম তেজত প্ৰৱেশ কৰিব লাগিব। পাছে তাৰ ক্ৰিয়া একেই হ'ব লাগিব।

কোনো এক ব্ৰেণ্ডেড দৰবৰ জেনেৰিক প্ৰকাৰ কে'বাবিধো থাকিলেও এবাৰত এটা দৰবেই ব্যৱহাৰ কৰাটো উচিত। ফাৰ্মাচিষ্টকো সেই মতে ঔষধ দিবলৈ ক'ব লাগে।

## জেনেৰিক দৰব আৰু মূল ব্ৰেণ্ডেড দৰব একে হ'লেও কেতিয়াবা দেখাত বেলেগ হয় কিয়?

জেনেৰিক দৰব আৰু মূল ব্ৰেণ্ডেড দৰব কেতিয়াবা দেখাত বা সোৱাদত বেলেগ হ'ব পাৰে। অৱশ্যে এই কথাত বিশেষ গুৰুত্ব দিব নালাগে। কাৰণ তাৰ ক্ৰিয়া একেই থাকে। আমেৰিকা যুক্তৰাষ্ট্ৰত আনকি

এখন আইনেই আছে যে মূল দৰৱ আৰু জেনেৰিক দৰৱ দেখাত বেলেগ হ'ব লাগিব। মানে তেতিয়াহে পাৰ্থক্যটো স্পষ্ট হ'ব। জেনেৰিক দৰৱ প্ৰস্তুতকাৰী প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ দৰৱৰ ৰং আৰু সোৱাদ বেলেগ কৰিবলৈ কিছু অতিৰিক্ত দ্ৰব্য ব্যৱহাৰ কৰিব পাৰে বা ব্ৰেণ্ডেড প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা কিছু অনাৱশ্যকীয় দ্ৰব্য ব্যৱহাৰ নকৰিবও পাৰে। অৱশ্যে এই ক্ষেত্ৰত ক্ৰিয়া একেই হ'ব লাগিব বা নেতিবাচক পাৰ্শ্বক্ৰিয়া একো থাকিব নালাগিব।

সকলো দৰৱৰে জেনেৰিক প্ৰকাৰ বা ৰূপ নাথাকিব পাৰে। আমি বিচৰা দৰৱৰ কিবা জেনেৰিক প্ৰকাৰ আছে নেকি সেয়া ফাৰ্মাচিষ্টক সুধিলেই হ'ল। পাছে ফাৰ্মাচিষ্টেও কেতিয়াবা খবৰ নাৰাখিব পাৰে বা ব্ৰেণ্ডেড দৰৱ বেচি দুপইচা অধিক লাভ অৰ্জন কৰাৰ বাবে সেই কথা নক'ব পাৰে। তেতিয়া চৰকাৰী ৱেবছাইটত সেয়া চাই ল'ব পৰা যায়।

### ভাৰতত জেনেৰিক দৰৱ

ভাৰতৰ অধিকাংশ লোকেই দুখীয়া বাবে কম খৰচত জীৱনদায়িনী দৰৱসমূহ পোৱাটো বৰ প্ৰয়োজনীয় কথা। ভাৰত চৰকাৰে 'নেছনেল ফাৰ্মাচিউটিকেল প্ৰাইচিং অথৰিটী'ৰ জৰিয়তে দৰৱৰ দাম কমোৱাত যথেষ্ট গুৰুত্ব দি আহিছিল। আনহাতে এনে দৰৱৰ ক্ষেত্ৰত প্ৰযোজ্য কৰৰ পৰিমাণো কমাইছিল। এনেবোৰ কাৰ্য্যপ্ৰণালীৰ জৰিয়তে কিছুমান বহুল ব্যৱহৃত দৰৱৰ দাম আন ৰাষ্ট্ৰৰ তুলনাত ভাৰতত যথেষ্ট কম হ'লেও, সেই দামো ভাৰতৰ যথেষ্টসংখ্যক দুখীয়া নাগৰিকে বলে নোৱৰা বিধৰ আছিল। গতিকে সম্প্ৰতি ভাৰত চৰকাৰে জেনেৰিক দৰৱৰ উৎপাদন আৰু বিপণনৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আৰম্ভ কৰিছে। ভাৰতৰ বিভিন্ন প্ৰতিষ্ঠানে এতিয়া কৃতিস্বত্বৰ ম্যাদ উকলি যোৱা বহুকেইবিধ ঔষধৰে জেনেৰিক দৰৱ প্ৰস্তুত কৰিবলৈ সক্ষম হৈছে। আগতে ব্ৰেণ্ডেড দৰৱ হিচাপে বিক্ৰী হৈ থাকোঁতে ব্ৰেণ্ড প্ৰমোছন আৰু মাৰ্কেটিং খৰচৰ বাবে একেবিধ দৰৱৰে দাম যথেষ্ট বেছি আছিল। ২০০৮ চনৰ ২৫ নৱেম্বৰত চৰকাৰে অমৃতসৰৰ চৰকাৰী চিকিৎসালয়ত প্ৰথমখন জেনেৰিক ড্ৰাগ ষ্ট'ৰ খোলে। এতিয়া এনে জেনেৰিক ড্ৰাগ ষ্ট'ৰ ভাৰতৰ বহুকেইখন ঠাইতে আছে।

যদি কোনো ৰোগীয়ে বিশেষকৈ প্ৰথমবাৰ দৰৱ সেৱন কৰাৰ ক্ষেত্ৰত এনেয়ে এগালমান টকা খৰচ কৰিব নোখোজে বা খৰচ কৰিব নোৱাৰে, তেন্তে তেওঁ জেনেৰিক দৰৱ ব্যৱহাৰ কৰাই উচিত। ই ব্ৰেণ্ডেড দৰৱৰ দৰেই ক্ৰিয়াশীল আৰু নিৰাপদ। ❖

## কুইজৰ উত্তৰসমূহ (নৱেম্বৰ সংখ্যা)

১) পৰ্তুগালৰ ক্ৰিষ্টিয়ানো ৰণাল্ডো। ২। গীতিকাৰ—প্ৰয়াত নগেন বৰা, সুৰকাৰ—জয়ন্ত নাথ। ৩। ৱেলছৰ গ'লৰক্ষক 'ৱেইন হেনছি। তেওঁ ইৰানৰ বিৰুদ্ধে 'গ্ৰুপ বি'ৰ খেলত ৰঙা কাৰ্ড পায়। ৪। খেলৰ অন্তত ষ্টেডিয়ামৰ আৱৰ্জনা পৰিষ্কাৰ কৰি। ৫। ৯৭৪ খন শ্বিপিং কণ্টেইনাৰ আৰু পুনৰ নবীকৰণযোগ্য সামগ্ৰীৰ দ্বাৰা নিৰ্মিত এই ষ্টেডিয়ামখন বিশ্বকাপৰ শেষত সম্পূৰ্ণভাৱে খুলি সেই ঠাইৰ পৰা লৈ যোৱা হ'ব। ৯৭৪ হ'ল কাটাৰৰ ডায়েলিং ক'ড। ৬। আৰ্জেণ্টিনা, ব্ৰাজিল, ছৌদি আৰব আৰু দক্ষিণ কোৰিয়া। ৭। জাৰ্মানীৰ ইউছোফা মৌকোকা; বয়, প্ৰায় ১৮ বছৰ। ৮। এন এল মেছন, শ্বাৰিন জে কিটাৰমেন; ৰুথ হোমবাৰ্গ; জেনিফাৰ বায়ৰাৰ্টছ। ৯। 'হিউলিট পেকাৰ্ড' (Hewlett Packard)। ১০। ঊষা মংগেশকাৰক। ১১। ফ্ৰান্সৰ লুচিয়ান ল'ৰেণ্ট। ১২। 'বিক্ৰম-এছ'। ১৩। সাংবাদিক তথা অধিবক্তা 'নাটাশা পিৰ্ক মুছাৰা'। ১৪। এক্স-৩৭ বি অৰ্বিটেল টেষ্ট ভেহিকল (অটিবি)। ১৫। ব্ৰাজিল। ১৬। ১৯৯১ চনত। ১৭। ১৯৫৪ চনৰ বিশ্বকাপ ফুটবলত। ❖

# এশ বছৰীয়া যুদ্ধ

■ পৰিণীতা চেতিয়া



যুদ্ধ মানেই ধ্বংস, সংহাৰ। অৰ্থ আৰু ধন-জন ক্ষতি কৰি যুদ্ধ হৈ পৰে এখন দেশৰ বাবে উন্নতিৰ হেঙাৰ। সকলো ধ্বংস আৰু অবক্ষয়ৰ কথা জানিও আমি কিয় বাৰু যুদ্ধক নিমন্ত্ৰণ জনাওঁ ! কিয় নকওঁ যে আমাক যুদ্ধ নহয় শান্তি লাগে ! যুদ্ধ কেতিয়াও শেষ সমাধান হ'ব নোৱাৰে।

যুদ্ধ কাৰো কাম্য নহ'লেও পৃথিৱীৰ এনে কোনো জাতি নাই, এনে কোনো দেশ নাই যিয়ে কোনো যুদ্ধত লিপ্ত হোৱা নাই। মানুহৰ যুদ্ধবাজ প্ৰকৃতিক কোনো কাৰকে কেতিয়াও দমন কৰিব পৰা নাই। কেতিয়াবা ক্ষমতাৰ কাৰণে, কেতিয়াবা ভূমি-সম্পত্তিৰ কাৰণে মানুহে অতীজৰে পৰা লিপ্ত হৈছে যুদ্ধত আৰু হৰণ কৰিছে অলেখ অযুতৰ প্ৰাণ। আৰু যদি যুদ্ধ দীৰ্ঘদিনীয়া হয় তেন্তে তাৰ পৰিণাম কিমান ক্ষতিকাৰক হ'ব পাৰে নিশ্চয় অনুমান কৰিব পাৰি।

পৃথিৱীৰ ইতিহাসৰ এখন দীৰ্ঘকালীন যুদ্ধ হ'ল 'এশ বছৰীয়া যুদ্ধ'। ইংলণ্ড আৰু ফ্ৰান্সৰ মাজত এই যুদ্ধ (১৩৩৭-১৪৫৩ চন) আৰম্ভ হৈছিল। এই এশ বছৰীয়া যুদ্ধ ইংলণ্ড আৰু ফ্ৰান্সৰ ৰাজপৰিয়ালৰ মাজত বংশগতভাৱে চলি আছিল।

এশ বছৰীয়া যুদ্ধ (The hundred years war) মধ্যযুগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সংঘৰ্ষসমূহৰ ভিতৰত এখন আছিল। ১১৬ বছৰ ধৰি দুয়োটা পক্ষৰ মাজত ৫টা প্ৰজন্মলৈ চলা এই যুদ্ধই পশ্চিম ইউৰোপৰ এক বিশাল অঞ্চল সামৰি লৈছিল। এই যুদ্ধত দুয়োটা পক্ষই বহুতো মিত্ৰ গোটাই লৈ অকল্পনীয় হাৰত যুদ্ধৰ প্ৰস্তুতি চলাইছিল আৰু দীৰ্ঘকালীনভাৱে যুদ্ধত লিপ্ত হৈছিল। এই দীঘলীয়া যুদ্ধত বিভিন্ন নতুন যুদ্ধৰ কৌশল উদ্ভাৱন কৰাৰ উপৰি নতুন প্ৰযুক্তি ব্যৱহাৰ কৰি উন্নতমানৰ অস্ত্ৰ-শস্ত্ৰ সাজি উলিওৱা হৈছিল। এই যুদ্ধত দুয়োপক্ষৰ বিস্তৰ ক্ষয়-ক্ষতি হৈছিল।

পঞ্চদশ শতিকাত বৃটিছ দ্বীপপুঞ্জত দুখন ৰাজতন্ত্ৰৰ উত্থান হৈছিল আৰু ইয়াৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ ৰাজ্যখন আছিল ইংলণ্ড। ইয়াৰ ৰজাসকল জন্মসূত্ৰে নৰমান ফ্ৰান্স আছিল। ১২ শতিকাত আয়াৰলেণ্ডৰ এটা অংশ তেওঁলোকে জয় কৰিছিল আৰু ১৩ শতিকাত ওৱেলছ অঞ্চল দখল কৰিছিল। তেওঁলোকে ইউৰোপৰ বহুতো অঞ্চল জয় কৰিছিল যদিও ফ্ৰান্স জয় কৰিব পৰা নাছিল।

চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্দ্ধত ফ্ৰান্স পশ্চিম ইউৰোপৰ আটাইতকৈ ধনী, সৰ্ববৃহৎ আৰু আটাইতকৈ জনবহুল ৰাজ্য আছিল। তদুপৰি, ৰজা লুই নৰমৰ খ্যাতি আৰু কাৰ্য্যকলাপ তথা ইয়াৰ প্ৰশাসক আৰু বিষয়াসকলৰ নিষ্ঠাবান সেৱাৰ বাবে ই শক্তিশালীও হৈ উঠিছিল। দুয়োখন শক্তিশালী দেশৰ মাজত সংঘৰ্ষ সম্ভৱতঃ অনিবাৰ্য্য আছিল, কিন্তু এই সংঘৰ্ষৰ বিশৃংখলতা আৰু দীঘলীয়া সময়হে অধিক আশ্চৰ্য্যজনক আছিল। ফ্ৰান্সত ইংৰাজৰ আঞ্চলিক সম্পত্তি আৰু ফ্ৰান্সৰ সিংহাসনৰ বৈধ উত্তৰাধিকাৰৰ প্ৰশ্নই জটিল সমস্যাৰ সৃষ্টি কৰিছিল। ১৩২৮ চনত ফ্ৰান্সৰ ৰজা চতুৰ্থ চাৰ্লছ পুত্ৰ বা ভাতৃৰ অবিহনে মৃত্যুবৰণ কৰিছিল আৰু তেওঁৰ কন্যাক উত্তৰাধিকাৰী হিচাপে ফৰাচীসকলে মানি ল'বলৈ অস্বীকাৰ কৰিছিল, লগতে চতুৰ্থ চাৰ্লছৰ ভগ্নী ইছাবেলাই নিজৰ পুত্ৰৰ বাবে সিংহাসন দাবী কৰিছিল। এনে বিষয়ত ইংৰাজসকলে নিজৰ স্বাৰ্থত নিজৰ সমৰ্থিত প্ৰাৰ্থীক সিংহাসনত

বহুৱাবলৈ কূট-কৌশল ৰচনা কৰিছিল। যিহেতু সেই সময়ত ফৰাচী মুকুটৰ উত্তৰাধিকাৰীৰ বিষয়ে কোনো নিশ্চিত নিয়ম নাছিল, সেয়েহে নতুন ৰজাজন কোন হ'ব, কোন হ'ব ইত্যাদি জটিল সমস্যাৰ বাবেও এই সংঘৰ্ষ দীঘলীয়া হোৱা বুলি অনুমান কৰা হয়। তদুপৰি ক্ষমতা লাভ, বাণিজ্যিক প্ৰতিদ্বন্দ্বিতা আৰু লুণ্ঠনৰ লোভৰ বাবেও এই যুদ্ধক দীঘলীয়া কৰাৰ চেষ্টা চলোৱা হৈছিল। এই যুদ্ধখনৰ আনুষংগিক কাৰণ বিভিন্ন হ'লেও তিনিটা কাৰণক মূল কাৰণ হিচাপে বিবেচনা কৰা হয়।

● ফ্ৰান্সৰ ৰজা ফিলিপ ষষ্ঠই ইংৰাজ অধিকৃত গেছকনি (একুইটাইন, দক্ষিণ-পশ্চিম ফ্ৰান্স) অঞ্চল জব্দ কৰিছিল। ফ্ৰান্সত ইংৰাজৰ প্ৰভাৱ দুৰ্বল কৰিবলৈ চেষ্টা চলাইছিল। আনফালে ফ্ৰান্সত ইংৰাজসকলেও তেওঁলোকৰ অধিকৃত ভূমি সংৰক্ষিত আৰু সম্প্ৰসাৰিত কৰিবলৈ চেষ্টা কৰিছিল।

● ফ্ৰান্সৰ ৰজাৰ উত্তৰাধিকাৰীক লৈও এই সংঘৰ্ষৰ সৃষ্টি হোৱা বুলি অনুমান কৰা হয়। ১৩১৬ চনত লুই দশমৰ মৃত্যুৰ পাছত আৰু ১৩২৮ চনত ফ্ৰান্সৰ ৰজা চতুৰ্থ চাৰ্লছৰ মৃত্যুৰ পাছত ইংলণ্ডৰ ৰজাই নিজৰ সমৰ্থিত প্ৰাৰ্থীক সিংহাসনত অধিষ্ঠিত কৰাৰ প্ৰয়াস কৰিছিল আৰু ফ্ৰান্সৰ ৰাজবংশই তাৰ বিৰোধিতা কৰিছিল।

● ফ্ৰান্সৰ গুয়েন প্ৰদেশ ইংৰাজসকলৰ দখলত আছিল। গুয়েন প্ৰদেশত সাৰ্বভৌমত্ব প্ৰতিষ্ঠাৰ বাবে কেইবা প্ৰজন্ম ধৰি ফ্ৰান্স আৰু ইংলণ্ডৰ মাজত এক শীতল যুদ্ধ চলি আহিছিল। এয়াও এশ বছৰীয়া যুদ্ধৰ এক অন্যতম কাৰণ বুলি বিবেচিত হয়।

এই সৰু-ডাঙৰ বিভিন্ন কাৰণত দুয়োখন দেশৰ মাজত প্ৰায় এশ বছৰ ধৰি সংঘৰ্ষ অব্যাহত থাকে। ১৪৫৩ খৃষ্টাব্দত ইংলণ্ডক পৰাস্ত কৰি ফ্ৰান্স বিজয়ী হৈছিল।

এই যুদ্ধত ইংলণ্ডে ক্ষমতা আৰু সন্মান হেৰুৱাব লগা হৈছিল। ৰাজ্যৰ চাৰিওফালে অৰাজকতা আৰু অস্থিৰতাই দেখা দিছিল। ৫টা প্ৰজন্মলৈ চলা এই যুদ্ধত বহুতো ক্ষয়-ক্ষতি হৈছিল। যুদ্ধক্ষেত্ৰতো বহুতো কৃষক তথা সৈনিকৰ মৃত্যু হৈছিল। ফলত কৃষি ক্ষেত্ৰত কৃষকৰ সংখ্যা কমি গৈছিল আৰু বাকীসকলৰ ওপৰত কামৰ বোজা বৃদ্ধি পাইছিল। এনেদৰে ইউৰোপৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আদি বিভিন্ন দিশত এই যুদ্ধই প্ৰভাৱ পেলাইছিল। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতা (নৱেম্বৰ)

হিমাশ্ৰী বৈশ্য (দশম গ)

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (নৱেম্বৰ)

১। অসম কন্যা শিৱাংগী শৰ্মা। ২। ৰাহুল কোলি। ৩। ৯টা। ৪। তেজপুৰ। ৫। ভাৰত (২০২২ বৰ্যত)।

## তোমালোকৰ বাবে প্ৰশ্ন

১। কোনখন বিশ্বকাপ ফুটবলত পোনপ্ৰথমবাৰৰ বাবে শুভংকৰৰ (Mascot) ব্যৱহাৰ হৈছিল?

২। কোনজন খেলুৱৈয়ে বিশ্বকাপ ফুটবল ফাইনেলত প্ৰথমবাৰৰ বাবে হেট্ৰিক অৰ্জন কৰাৰ কৃতিত্ব অৰ্জন কৰিছিল?

৩। অসমৰ কিমানগৰাকী খেলুৱৈয়ে এতিয়ালৈ অৰ্জুন বঁটা পাবলৈ সক্ষম হৈছে?

৪। সদ্যসমাপ্ত টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেটৰ 'প্লেয়াৰ অব দ্য টুৰ্ণামেণ্ট' হিচাপে কোনজন খেলুৱৈ নিৰ্বাচিত হৈছে?

৫। ২০২৬ চনৰ বিশ্বকাপ ফুটবল কোন দেশত অনুষ্ঠিত হ'ব? ❖

## টি-২০ ক্রিকেটত বিশ্ব চেম্পিয়ন ইংলণ্ড



যোৱা ১৩ নৱেম্বৰ তাৰিখে অষ্ট্রেলিয়াৰ মেলবৰ্নত অনুষ্ঠিত টি-২০ বিশ্বকাপ ক্রিকেট প্রতিযোগিতাত ইংলণ্ডে চেম্পিয়নৰ খিতাপ দখল কৰে। অষ্টমসংখ্যক বিশ্বকাপ প্রতিযোগিতাৰ ফাইনেল খেলত প্রতিদ্বন্দ্বী পাকিস্তানক সহজে পাঁচ উইকেটত পৰাজিত কৰি ইংলণ্ডে দ্বিতীয়বাৰৰ বাবে চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। ফাইনেল খেলত পাকিস্তানৰ ৮ উইকেটত ১৩৭ ৰাণৰ লক্ষ্য ইংলণ্ডে বেন ষ্ট'কছৰ অপৰাজিত ৫২ ৰাণৰ সহায়ত ৫টা উইকেট হেৰুৱাই ১৯ অ'ভাৰত অতিক্রম কৰে। ফাইনেল খেলত চাৰি অভাৰত মাত্র ১২ ৰাণ দি ৩টা উইকেট দখল কৰা ইংলণ্ডৰ বলাৰ ছেম কাৰেণে মেচৰ শ্রেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

## বিশিষ্ট চিত্রশিল্পী, চলচ্চিত্র পৰিচালক পুলক গগৈৰ দেহাৱসান

বিশিষ্ট চিত্রশিল্পী, চলচ্চিত্র পৰিচালক, কাৰ্টুনিষ্ট পুলক গগৈৰ যোৱা ১২ নৱেম্বৰ তাৰিখে ৮৪ বছৰ বয়সত দেহাৱসান ঘটে। পুলক গগৈৰ জন্ম হৈছিল ১৯৩৮ চনৰ ২ অক্ট'বৰত যোৰহাটত। ষষ্ঠ শ্রেণীৰ পৰা চিত্রশিল্পৰ প্রতি আকৰ্ষিত পুলক গগৈয়ে মুম্বাইৰ বান্দ্রা স্কুল অৱ আৰ্টৰ পৰা শিক্ষা লাভ কৰি অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগত কমাৰ্চিয়েল আৰ্টিষ্ট হিচাপে যোগদান কৰি কৰ্মজীৱন আৰম্ভ কৰে। এই চাকৰিৰ পৰা পদত্যাগ কৰি তেওঁ 'দা আছাম ট্রিবিউন', 'অসম বাণী', 'দৈনিক অসম', 'নৱযুগ', 'আমাৰ প্রতিনিধি' আদি সংবাদ পত্রত কাৰ্টুনিষ্ট হিচাপে সেৱা আগ বঢ়ায় আৰু ১৯৭২ চনত 'কাৰ্টুন' নামৰ আলোচনী এখন (অসমৰ প্রথম) নিজাকৈ প্রকাশ কৰে।

সাংবাদিক তথা কাৰ্টুনিষ্টৰ উপৰি চিত্রশিল্পী হিচাপে প্রতিষ্ঠা লাভ কৰা গগৈয়ে দেশৰ বিভিন্ন প্রান্তৰ লগতে ১৯৭২ চনত আন্তঃৰাষ্ট্রীয় মুদ্রা নিধিৰ সৌজন্যত আমেৰিকা যুক্তৰাষ্ট্রৰ ৱাশ্বিংটন মহানগৰত চিত্র প্রদৰ্শনী পাতি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছিল। ১৯৭৪ চনত 'খোজ' নামৰ বোলছবিখনৰ পৰিচালনাৰ জৰিয়তে অসমীয়া বোলছবি জগতত প্রবেশ কৰা গগৈয়ে পৰিচালনা কৰা আন ছবিকেইখন হৈছে—'শ্রীমতী মহিমাময়ী' (১৯৭৮), 'সাদৰী' (১৯৮৩), 'সেন্দূৰ' (১৯৮৪), 'সুৰুয' (১৯৮৪), 'ৰেলৰ আলিৰ দূবৰি বন' (১৯৯৩), 'মৰম নদীৰ গাভৰু ঘাট' (১৯৯৯), 'পত্নী' (২০০৩), 'মমতাজ' (২০১৩)। চলচ্চিত্রৰ উপৰি দূৰদৰ্শনৰ ধাৰাবাহিক, তথ্যচিত্র নিৰ্মাণ কৰা গগৈ এগৰাকী সুলেখকো আছিল। তেওঁৰ দ্বাৰা ৰচিত গ্রন্থসমূহ হৈছে পৰম বীৰ হামিদ (১৯৬৫), 'হৈমন্তিকা' (১৯৮৫), 'পুলকে কৈছে পুলকৰ কথা' (২০১৭)।

নিজৰ সৃষ্টিকৰ্মৰ স্বীকৃতি হিচাপে যশস্বী পৰিচালক, চিত্রশিল্পী তথা কাৰ্টুনিষ্টগৰাকীয়ে জীৱনকালত অসংখ্য বঁটা, সন্মান, পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল। ১৯৯৩ চনত 'ৰেলৰ আলিৰ দূবৰি বন' বোলছবিৰ বাবে আঞ্চলিক ভাষাত ৰজত কমল বঁটা লাভ কৰা গগৈয়ে ২০০৭ চনত 'পত্নী' বোলছবিৰ বাবে অসম ৰাজ্যিক চলচ্চিত্র বঁটা লাভ কৰিছিল। কেইবাখনো আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱত জুৰী হিচাপে দায়িত্ব পালন কৰা বিশিষ্ট শিল্পীগৰাকীয়ে ২০১৭ চনত অসম চৰকাৰৰ 'কলাগুৰু বিষ্ণুপ্রসাদ ৰাভা' বঁটা লাভ কৰিছিল। শিল্পীগৰাকীয়ে ২০২২ বৰ্ষত অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসে আগ বঢ়োৱা 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' সন্মানো লাভ কৰিছিল।

## মহাকাশলৈ ভাৰতৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ ৰকেট



যোৱা ১৮ নৱেম্বৰ তাৰিখে অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা ব্যক্তিগতভাৱে নিৰ্মাণ কৰা দেশৰ প্ৰথমটো ৰকেট 'বিক্ৰম-এছ' সফলভাৱে উৎক্ষেপণ কৰা হয়। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ (ইছৰো) কেন্দ্ৰৰ পৰা এই ঐতিহাসিক উৎক্ষেপণ সম্পন্ন কৰা হয়। হায়দৰাবাদৰ মহাকাশ ষ্টাৰ্টআপ স্কাইৰুট এৰ'স্পেচ প্ৰাইভেট লিমিটেড নামৰ কোম্পানীটোৱে নিৰ্মাণ কৰা ছয় মিটাৰ উচ্চতাৰ ৰকেটটোৰ নাম 'বিক্ৰম-এছ' ৰখা হৈছে। ভাৰতীয় মহাকাশ কাৰ্য্যসূচীৰ প্ৰতিষ্ঠাতা তথা প্ৰখ্যাত বিজ্ঞানী ড° বিক্ৰম ছাৰাভাইৰ স্মৃতিত এই ৰকেটটোৰ নাম ৰখা হৈছে। স্কাইৰুট কোম্পানীটোৱে ইতিমধ্যে তিনিটা ৰকেট সাজু কৰি উলিয়াইছে। 'বিক্ৰম-এছ' ৰকেটে মহাকাশলৈ সৰ্বাধিক ৮১৫ কিল'গ্ৰাম ওজনৰ সামগ্ৰী প্ৰেৰণ কৰিবলৈ সক্ষম হ'ব। মহাকাশ অভিযানত অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হোৱা ইছৰোই ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'বাজুমকিউ স্পেচ ৰিছাৰ্চ লেব' নামৰ কোম্পানীটোৰ লগতো বাণিজ্যিক চুক্তি সম্পাদন কৰিছে।

## অসমৰ লন বল খেলুৱৈ নয়নমণি শইকীয়ালৈ অৰ্জুন বঁটা

যোৱা ১৪ নৱেম্বৰ তাৰিখে কেন্দ্ৰীয় চৰকাৰে ২০২২ বৰ্ষৰ দেশৰ ক্ৰীড়া ক্ষেত্ৰৰ ৰাষ্ট্ৰীয় বঁটাপ্ৰাপকসকলৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। কমনৱেলথ গেমছত লন বলত স্বৰ্ণপদক লাভ কৰা অসমৰ নয়নমণি শইকীয়াই এই বৰ্ষত অৰ্জুন বঁটা লাভ কৰে। কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া মন্ত্ৰালয়ে ক্ৰীড়াৰ ক্ষেত্ৰত দেখুওৱা পাৰদৰ্শিতাৰ বাবে দেশৰ ক্ৰীড়াবিদসকলক প্ৰতি বছৰে এই বঁটা আগ বঢ়াই আহিছে আৰু এই বৰ্ষত মুঠ ২৫ গৰাকী খেলুৱৈক অৰ্জুন বঁটাৰ বাবে মনোনীত



কৰা হৈছে। ভাৰতবৰ্ষৰ ক্ৰীড়াক্ষেত্ৰৰ সৰ্বোচ্চ বঁটা হিচাপে বিবেচিত 'মেজৰ ধ্যানচাঁদ খেলৰত্ন বঁটা' এইবাৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন টেবুল টেনিছ খেলুৱৈ অচন্ত শৰৎ কমললৈ আগ বঢ়োৱা হৈছে। চাৰিজন প্ৰশিক্ষক ক্ৰমে জীৱনজ্যোৎ সিং তেজা (আৰ্চাৰী), মহম্মদ আলী কামাৰ (বক্সিং), সোমা সিদ্ধাৰ্থ শ্ৰীৰুৰ (পেৰা সাঁতোৰ) আৰু সুজিৎ মানক (মল্লযুঁজ) দ্ৰোণাচাৰ্য্য সন্মান আগ বঢ়োৱা হৈছে। ৩০ নৱেম্বৰ তাৰিখে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত এই বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

## জি-২০ দেশৰ নতুন অধ্যক্ষ ভাৰত

যোৱা ১৫ নৱেম্বৰৰ পৰা ইণ্ডোনেছিয়াৰ বালিত দুদিনীয়াকৈ অনুষ্ঠিত সপ্তদশ জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ শীৰ্ষ

G20 ভাৰত 2023 INDIA

সন্মিলনত ভাৰতে পৰৱৰ্তী বৰ্ষৰ বাবে অধ্যক্ষ ৰাষ্ট্ৰৰ দায়িত্ব লাভ কৰে। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি জকো ৱাইডডোৰ পৰা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ১৬ নৱেম্বৰত আনুষ্ঠানিকভাৱে অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। বিশ্বৰ শক্তিশালী ২০ খন ৰাষ্ট্ৰৰ জি-২০ গোটৰ নতুন অধ্যক্ষ ভাৰতে সকলো দেশৰ সম উন্নয়নত গুৰুত্ব দিব

বুলি ঘোষণা কৰে। প্ৰধানমন্ত্ৰী মোডীয়ে সন্মিলনৰ তিনিখন অধিবেশনত অংশগ্ৰহণ কৰাৰ উপৰি ৮ খন দেশৰ ৰাষ্ট্ৰপ্ৰধানৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ভাৰতৰ জি-২০ দেশৰ অধ্যক্ষতাৰ মূল শ্ল'গান হৈছে— 'এক পৃথিৱী এক পৰিয়াল এক ভৱিষ্যৎ'। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেন, চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ইংলণ্ডৰ প্ৰধানমন্ত্ৰী ঋষি ছুনাক আদিয়ে অংশগ্ৰহণ কৰা এই বৰ্ষৰ সন্মিলনত শান্তিৰ স্বাৰ্থত ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ বন্ধ কৰি আন্তঃৰাষ্ট্ৰীয় আইন মানি চলাৰ ওপৰত গুৰুত্ব দিয়ে। অহা বৰ্ষত এই শীৰ্ষ সন্মিলন ভাৰতত অনুষ্ঠিত হ'ব বুলি অধ্যক্ষ মোডীয়ে ঘোষণা কৰে।

## কাটাৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ

যোৱা ২০ নৱেম্বৰ তাৰিখে কাটাৰত ২২ সংখ্যক ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আৰম্ভ হয়। প্ৰথমবাৰৰ বাবে আৰব দেশত অনুষ্ঠিত এইবাৰৰ ফিফা বিশ্বকাপ প্ৰতিযোগিতাত মুঠ ৩২টা দলে অংশগ্ৰহণ কৰিছে আৰু সৰ্বমুঠ ৬৪ খন মেচ অনুষ্ঠিত হ'ব। মুঠ ২২০ মাৰ্কিন ডলাৰ ব্যয়সাপেক্ষে নিৰ্মিত ৮ খন শীত-তাপ নিয়ন্ত্ৰিত ষ্টেডিয়ামত খেলসমূহ অনুষ্ঠিত হৈছে আৰু ৮৩২ জন খেলুৱৈয়ে এই ফুটবলৰ মহাৰণত ভৰিৰ যাদু প্ৰদৰ্শন কৰিব। ১৮ ডিচেম্বৰত সামৰণি পৰিবলগীয়া এই বৰ্ষৰ এই ব্যয়বহুল প্ৰতিযোগিতাৰ ল'গো হৈছে 'লায়েব' যাৰ অৰ্থ হৈছে দক্ষতাপূৰ্ণ খেলুৱৈ। কাটাৰ আৰু ইকুৱেডৰৰ খেলেৰে আৰম্ভ হোৱা বিশ্বকাপৰ থীম হৈছে 'Respect and inclusion' আৰু এই বৰ্ষৰ বিশ্বকাপৰ খেল বিশ্বৰ ৫০০ কোটি দৰ্শকে উপভোগ কৰিব বুলি ফিফাৰ অধ্যক্ষ জিয়ানিন্নি ইনফাণ্টিনোৱে প্ৰকাশ কৰিছে। অধিক ব্যয়বহুল বুলি প্ৰচাৰিত এই বৰ্ষৰ বিশ্বকাপ প্ৰথমবাৰৰ বাবে শীত-তাপ নিয়ন্ত্ৰিত ষ্টেডিয়ামত অনুষ্ঠিত হ'ব আৰু মহিলা ৰেফাৰীয়ে দায়িত্ব পালন কৰিব। এইবাৰৰ বিশ্বকাপৰ চেম্পিয়ন দলটোৱে ট্ৰফী, প্ৰমাণপত্ৰৰ লগতে ৪০০ কোটি টকাৰ পুৰস্কাৰ লাভ কৰিব।

## সংগীত নাটক অকাডেমি বঁটা ঘোষণা

যোৱা ২৫ নৱেম্বৰ তাৰিখে সংগীত নাটক অকাডেমিয়ে ২০১৯, ২০২০ আৰু ২০২১ বৰ্ষৰ বাবে সংগীত নাটক অকাডেমি বঁটা আৰু ওস্তাদ বিছমিল্লা খাঁ যুৱ পুৰস্কাৰৰ বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰে। ঘোষিত ফলাফল অনুসৰি ২০১৯ বৰ্ষৰ সংগীত নাটক অকাডেমি বঁটা সত্ৰীয়া নৃত্যৰ বাবে ৰঞ্জুমণি শইকীয়া, নাট পৰিচালনাৰ বাবে অবিনাশ শৰ্মা আৰু অভিনয়ৰ বাবে বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াই লাভ কৰে। ২০২১ বৰ্ষৰ সংগীত নাটক অকাডেমি বঁটা অংকীয়া ভাওনাৰ বাবে গুণীন্দ্ৰ নাথ ওজা আৰু লোকসংগীত তথা নৃত্যৰ বাবে প্ৰসন্ন গগৈয়ে লাভ কৰিবলৈ সক্ষম হৈছে।

ওস্তাদ বিছমিল্লা খাঁ যুৱ পুৰস্কাৰ লাভ কৰা অসমৰ শিল্পীসকল হ'ল ক্ৰমে—প্ৰভাত কাকতি (সত্ৰীয়া নৃত্য, ২০১৯ চন), মানস কুমাৰ চমুৱা (ভায়োলিন, ২০২০ চন), জলিমণি শইকীয়াই (সত্ৰীয়া নৃত্য, ২০২০ চন)। তদুপৰি সত্ৰীয়া নৃত্যৰ বাবে ২০২১ বৰ্ষৰ এই বঁটা যুটীয়াভাৱে লাভ কৰিছে দীপজ্যোতি দাস আৰু দীপাংকৰ আৰান্ধৰাই।

২০২২ বৰ্ষত আজাদী কা অমৃত মহোৎসৱ উপলক্ষে আগ বঢ়োৱা অকাডেমিৰ 'অমৃত পুৰস্কাৰ' লাভ কৰিবলৈ সক্ষম হোৱা অসমৰ বিশিষ্ট শিল্পীসকল হৈছে ক্ৰমে—হৰি বৰা বৰবায়ন (সত্ৰীয়া নৃত্য), ধৰ্মেশ্বৰ নাথ ওজা (ব্যাস ওজাপালি), গুৰুপ্ৰসাদ ওজা (সত্ৰীয়া ওজাপালি), মিনতি খাউণ্ড (ভায়'লিন) আৰু মাখন চন্দ্ৰ বৰা (লোকগীত তথা নৃত্য)। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে পৰিবেশ্য কলাৰ ক্ষেত্ৰখনলৈ আগ বঢ়োৱা বিশিষ্ট অৱদানৰ বাবে ৭৫ বছৰৰ ওপৰৰ সাংস্কৃতিক ব্যক্তিক এই অকাডেমিৰ 'অমৃত বঁটা' প্ৰদান কৰা হৈছে। তিনিটা শাখাত আগ বঢ়োৱা এই বঁটা দেশৰ বিভিন্ন ক্ষেত্ৰৰ মুঠ ৩১৬ গৰাকী শিল্পীয়ে লাভ কৰিছে আৰু অসমৰ মুঠ ১৫ গৰাকী শিল্পীয়ে বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

# খবৰৰ লেছেৰি বোটলা

**(২১ অক্টʼবৰ ২০২২ ৰ পৰা ২০ নৱেম্বৰ ২০২২লৈ)**

২২ **অক্টʼবৰ** : জৰ্জিয়া মেলোনী ইটালীৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হয়।

২৩ **অক্টʼবৰ** : চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং একেৰাহে তৃতীয়টো কাৰ্য্যকালৰ বাবে নিৰ্বাচিত হয়।

২৫ **অক্টʼবৰ** : ভাৰতীয় মূলৰ ঋষি ছুনাকে ইংলণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে।

২৮ **অক্টʼবৰ** : এলন মাস্কে ৪৪ বিলিয়ন মাৰ্কিন ডলাৰৰ বিনিময়ত 'টুইটাৰ'ৰ মালিকীস্বত্ব ক্ৰয় কৰে।

২৯ **অক্টʼবৰ** : নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ পূৰ্ণাংগ সভাত সন্ত্ৰাসবাদৰ প্ৰতি 'শূন্য সহনশীল' নীতি গ্ৰহণ কৰা হয়।

৩০ **অক্টʼবৰ** : এশটা দবাযুক্ত ১.৯ কিলʼমিটাৰ দৈৰ্ঘ্যৰ বিশ্বৰ দীৰ্ঘতম যাত্ৰীবাহী ৰেলৰ যাত্ৰা আৰম্ভ কৰি ছুইজাৰলেণ্ডে বিশ্ব অভিলেখ ৰচনা কৰে।

৩১ **অক্টʼবৰ** : সাত্বিক ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীয়ে ফ্ৰেঞ্চ অʼপেন টেনিছৰ ডাবল্ছৰ খিতাপ দখল কৰে।

- ভাৰতৰ 'তীখা মানৱ' হিচাপে খ্যাত জামছেদ জে ইৰাণীৰ ৮৬ বছৰ বয়সত  মৃত্যু হয়।

১ **নৱেম্বৰ** : ভাৰতীয় ৰিজাৰ্ভ বেংকে ডিজিটেল 'ৰূপী মুদ্ৰা' সেৱা শুভাৰম্ভ কৰে।

২ **নৱেম্বৰ** : অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালক প্ৰধান (ডিজিপি) নিশিনাথ চাংকাকতিক ২০২২ বৰ্ষৰ অমলপ্ৰভা দাস সৰ্বোদয় বঁটা আগ বঢ়োৱা হয়।

৪ **নৱেম্বৰ** : অসমৰ মঞ্চ আৰু চলচ্চিত্ৰৰ জগতৰ প্ৰবীণ অভিনেতা, গণশিল্পী ভোলা কটকীৰ ৮৭ বছৰ বয়সত মৃত্যু হয়।

৬ **নৱেম্বৰ** : মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মঙলদৈত দক্ষতা বিকাশ বিশ্ববিদ্যালয়ৰ ভূমিপূজন সম্পন্ন কৰে।

৭ **নৱেম্বৰ** : আৰ্থিকভাৱে অনগ্ৰসৰ লোকৰ বাবে শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত ১০ শতাংশ সংৰক্ষণৰ বিধেয়ক বৈধ বুলি উচ্চতম ন্যায়ালয়ে ৰায়দান কৰে।

৮ **নৱেম্বৰ** : ন্যায়াধীশ ধনঞ্জয় ৰাই চন্দ্ৰচুড়ে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে।

৯ **নৱেম্বৰ** : কিউ এছ ৰেংকিঙৰ সমীক্ষাত চীনৰ পিকিং বিশ্ববিদ্যালয়ে এছিয়া মহাদেশৰ ভিতৰত প্ৰথম স্থান লাভ কৰে।

১০ **নৱেম্বৰ** : বৰ্তমান ভাৰতবৰ্ষত ৫৭৮টা ভাষা কোৱা লোক আছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ঘোষণা কৰে। যোৱা ৬০ বছৰত দেশত ৬০টা ভাষাৰ মৃত্যু হোৱা বুলি চৰকাৰে ঘোষণা কৰে।

১১ **নৱেম্বৰ** : অসমৰ লাভলীনা বৰগোহাঁয়ে এছিয়ান বক্সিং চেম্পিয়নশ্বিপত (৭৫ কেজি, মহিলা) সোণৰ পদক দখল কৰে।

- ভাৰতৰ নিৰ্বাচন আয়োগৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে দেশত শতায়ু অতিক্ৰম কৰা ভোটাৰৰ সংখ্যা ২.৪৯ লাখ বুলি প্ৰকাশ কৰে।

১৫ **নৱেম্বৰ** : বিশ্বৰ জনসংখ্যাই ৮০০ কোটি অতিক্ৰম কৰে।

১৬ **নৱেম্বৰ** : ইংলণ্ডৰ প্ৰধানমন্ত্ৰী ঋষি ছুনাকে প্ৰতি বছৰে ৩ হাজাৰ ভাৰতীয় যুৱক-যুৱতীক ভিছা দিব বুলি জি-২০ সন্মিলনত ঘোষণা কৰে।

১৯ **নৱেম্বৰ** : প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অৰুণাচল প্ৰদেশত ৰাজ্যখনৰ প্ৰথমটো বিমানকোঠ 'ডক্সিপলো' উদ্বোধন কৰে।

- প্ৰসিদ্ধ সংগীত শিল্পী ঊষা মংগেশকাৰলৈ ড° ভূপেন হাজৰিকা সমন্বয় বঁটা, ২০২২ আগ বঢ়োৱা হয়।
- মহাবীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম বাৰ্ষিকীৰ সপ্তাহজোৰা কাৰ্য্যসূচীৰ অসমৰ লগতে দেশৰ বিভিন্ন স্থানত শুভাৰম্ভ কৰা হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**



# লাচিতৰ ল'ৰালি

■ দোলন বৰা

মোমাই তামুলী বৰবৰুৱাৰ কনিষ্ঠ পুত্ৰ লাচিতৰ জন্মৰ সঠিক দিন-বাৰৰ বিষয়ে জনা নাযায় যদিও সোতৰ শতিকাৰ প্ৰথমাৰ্দ্ধত গড়গাঁৱৰ আশে-পাশে হৈছিল বুলি ধৰি ল'ব পাৰি। সুযোগ্য পিতৃৰ সুযোগ্য সন্তান লাচিত বৰফুকন পিতৃৰ দৰেই সাহসী, সৎ আৰু স্বদেশপ্ৰেমী লোক আছিল।

সৰুৰে পৰাই লাচিতে নিজৰ ঘৰত এটি সুন্দৰ পৰিবেশ লাভ কৰিছিল। ৰাজনৈতিক চিন্তা-চৰ্চাৰে পৰিপূৰ্ণ ঘৰখনেই আছিল লাচিতৰ প্ৰাথমিক শিক্ষাৰ ঠাই। সাহসী আৰু দৃঢ় হ'বলৈও শিকিছিল পিতৃৰ পৰাই। সততা আৰু স্পষ্টবাদিতা আছিল লাচিতৰ আন এক মহৎ গুণ। ভুল মানি ল'ব পৰা লাচিতৰ আন এক গুণ হোৱাৰ লগতে লাচিতৰ আছিল প্ৰচুৰ আত্মসন্মানবোধ।

ৰজাঘৰীয়া ডা-ডাঙৰীয়া আদিৰ ল'ৰাই বুৰঞ্জী, ৰণশিক্ষা আদি গ্ৰহণ কৰাটো আহোম যুগৰ এক নিয়ম আছিল। পৰৱৰ্তী সময়ত এজন যোদ্ধা বা দেশৰ হিতৰ বাবে কাম কৰি স্বদেশ-স্বজাতিৰ মান ৰাখিব পৰাটো আছিল এক ডাঙৰ কাম। সেইবাবে ল'ৰাহঁতে মনপুতি সেই শিক্ষা গ্ৰহণ কৰিছিল। মোমাই তামুলী বৰবৰুৱাই ঠিক কৰি দিয়া ঘৰুৱা শিক্ষকৰ ওচৰত লাচিত আৰু তেওঁৰ ককায়েকহঁতে শিক্ষা গ্ৰহণ কৰিছিল। আহোম ৰাজবংশত ৰজাৰ পুত্ৰই ৰজা হ'লেও ডা-ডাঙৰীয়াহঁতৰ পুত্ৰই যে পিতৃৰ বিষয়বাবকেই লাভ কৰিব তেনে কোনো নিয়ম নাছিল। নিজৰ যোগ্যতাৰ বলতহে উচ্চপদ লাভ কৰিব পাৰিছিল। সেয়া হ'লেও উচ্চপদত থকা সকলোৱে নিজৰ সন্তানেও তেনে পদ লাভ কৰাৰ আশা কৰিছিল আৰু সেইবাবে নিজৰ সন্তানক তাৰ বাবে যোগ্য কৰি তুলিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল। সেইসকলৰ মাজৰে এজন মোমাই তামুলী বৰবৰুৱাও। লাচিত সৰুৰে পৰাই তীক্ষ্ণ বুদ্ধিৰ ল'ৰা আছিল। যিকোনো কথা বা কাম সহজেই আয়ত্ত কৰিব পাৰিছিল। ঘৰুৱা শিক্ষকৰ পৰা লাচিতে আহোমৰ ৰাজনীতি কৌশল, শাস্তিৰ বিধান, সমাজনীতি, অৰ্থনীতি, বুৰঞ্জী আদিৰ শিক্ষা লাভ কৰিছিল। মোমাই তামুলীয়ে নিজেও পুত্ৰসকলক সদায় সজ উপদেশ আৰু জ্ঞানগৰ্ভ কথা কৈ সুশিক্ষা দিবলৈ যত্ন কৰিছিল। মোমাই তামুলী বৰবৰুৱাৰ ঘৰত দেশৰ বিষয়ে যি আলোচনা-বিলোচনা হৈছিল, সেই সকলো শুনাৰ সুযোগ লাভ কৰিছিল লাচিতে। লাচিতক প্ৰয়োজন সাপেক্ষে পিতৃয়ে ঢাল-তৰোৱাল, হেংদাং চলোৱা, ধনু-কাঁড় মৰা, ঘোঁৰা, হাতী আদিত উঠি যুদ্ধ কৰাৰ কৌশল আদিও শিকাইছিল। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমীয়া ফকৰা-যোজনা

## দৰা দেখি সুৰাগুৰি তোলা



সুৰাগুৰি তোলা মানে বিয়াৰ দিনা দৰা আৰু কইনাৰ ঘৰৰ আয়তীসকলে পানী তুলি কৰা এক মাংগলিক অনুষ্ঠান। এই অনুষ্ঠানৰ বাবে কিছু সময়ৰ প্ৰয়োজন। সুৰাগুৰি নোতোলাকৈ কইনাৰ ঘৰত দৰা নোসোমায়। গতিকে দৰা আহি কইনাৰ পদূলিত উপস্থিত হোৱাৰ আগতেই সুৰাগুৰি তোলা কাৰ্য্য সমাধা কৰি ল'ব লাগে। নহ'লে কইনাৰ পদূলিত দৰাই বহু সময় অপেক্ষা কৰিব লগা হয়। কিন্তু দৰা আহি কইনাৰ ঘৰৰ পদূলি পোৱাৰ পাছত সুৰাগুৰি তোলা মানে সময়মতে কাম নকৰি শেষ মুহূৰ্তত কাম কৰিবলৈ লোৱা।

**প্ৰায়োগিক বাক্য : অনুষ্ঠানটো আৰম্ভ হ'লেই—এতিয়া তহঁতে দৰা দেখি সুৰাগুৰি তুলিবলৈ আহিলে নহ'ব নহয়। ❖**

## আমো নাই, ফৰ্মুটিও নাই




আম পাৰিবলৈ গছলৈ ফৰ্মুটি মাৰি পঠিয়ালে কেতিয়াবা ফৰ্মুটি গছৰ ডালত লাগি ধৰাৰ ফলত আমো নসৰে আৰু ফৰ্মুটিও সৰি নপৰে। কিবা কামৰ বাবে কোনোবা এজন অহাত পলম হোৱা দেখি খবৰ কৰি আহিবলৈ অন্য এজনক পঠোৱাৰ পাছত সেইজনো ঘূৰি নাহিলে এনেদৰে কোৱা হয়। অৰ্থাৎ এই যোজনাটোৰ জৰিয়তে মুখ্য আৰু সহায়কাৰী দুয়োজনেই অনুপস্থিত থকা কাৰ্য্যক বুজোৱা হয়।

**প্ৰায়োগিক বাক্য : ৰহিমলৈ অতবেলি বৈ বৈ আমনি লগাত ৰাতুলকে খবৰ কৰিবলৈ পঠিয়ালোঁ; এতিয়া পিছে আমো নাই, ফৰ্মুটিও নাই। ❖**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## সততে ভুল হোৱা কেইটামান শব্দ

| ভুল | শুদ্ধ | ভুল | শুদ্ধ |
|---|---|---|---|
| ডবা | দবা | ডাঁড় | ডাঁৰ |
| ডবাপিটা | দবাপিটা | ডাকৰালা | ডাকোৱাল |
| ডৰিক | ডঁৰিক | ডাক্টৰ | ডাক্তৰ |
| ডলি | দলি | ডাঙি | দাঙি |
| ডাইনি | ডাইনী | ডাফলি | ডাফলী |

## এটা শব্দত প্ৰকাশ কৰা

বুকুৰে বগাই যোৱা প্ৰাণী = সৰীসৃপ

বিশ্বৰ সকলো মানুহ, স্থান, কালৰ বাবে গ্ৰহণযোগ্য = বিশ্বজনীন

যি সৰ্বাংগ ব্যাপি আছে = সৰ্বাংগীণ

ফুল থোৱা পাত্ৰ = ফুলদানী

যি কথা কোৱা উচিত = বচনীয়

জুই ধৰি ৰখা ঠাই = জুহাল

নিজৰ ওপজা ঠাই = জন্মভূমি

বস্তু বেচা-কিনা কৰা ঠাই = বজাৰ

যি অলপতে শুনে = শহাকণীয়া


যি কাৰো পক্ষত নাথাকে = নিৰপেক্ষ

যি নিশা চৰে = নিশাচৰ

যি সহ্য কৰিব পাৰে = সহনশীল ❖

## তলৰ ছবি দুখনৰ ব্যক্তি দুগৰাকীক চিনাক্ত কৰা





# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| দুৰ্নীতি | corruption | দম্পতী | couple |
| ব্যয়, মূল্য | cost | পৰ্ণিকা, কুপন | coupon |
| পৰিষদ | council | উচ্চ ন্যায়ালয় | High court |
| উকীল পৰিষদ | Bar council | উচ্চতম ন্যায়ালয় | Supreme court |
| ৰাজ্য পৰিষদ | Council of state | সত্ৰ ন্যায়ালয় | Session court |
| কাৰ্য্যনিৰ্বাহক পৰিষদ | executive council | খেতিয়ক | cultivator |
| বিধান পৰিষদ | legislative council | পুল | culvert |
| নগৰপালিকা পৰিষদ | municipal council | সান্ধ্য আইন | curfew order |
| পাৰিষদ | councillor | মুদ্ৰা | currency |
| উপদেষ্টা, পৰামৰ্শদাতা | counsel | পাঠ্যক্ৰম | curriculum |
| প্ৰতিস্বাক্ষৰ, প্ৰতিচহী | counter-signature | জিম্মা, হেফাজত | custody |
| গণনা | counting | শুল্ক | custom |
| | | সীমা-শুল্ক | customs duty |
| | | কৰ্তন প্ৰস্তাৱ | cut motion |
| | | চক্ৰ | cycle |
| | | দুগ্ধশালা | dairy |
| | | বান্ধ | dam |
| | | ঋণ | debt, loan ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষাৰ পৰা)*

# অসমৰ ঔষধি গছ



**পুনৰ্ণৱা** : ইংৰাজী নাম : Punarnava বা Spreading hog weed, বৈজ্ঞানিক নাম : *Boerhavia diffusa* : পুনৰ্ণৱা এবিধ বহু বৰ্ষজীৱী ঔষধি গুণবিশিষ্ট আৰু কোমল শাকজাতীয় উদ্ভিদ। খৰালি কালত শুকাই যোৱা এইবিধ শাক বৰ্ষাকালত পুনৰ নতুন ৰূপত লহপহকৈ গজি উঠে বাবে ইয়াৰ নাম পুনৰ্ণৱা। এই বিধ উদ্ভিদ নিক্‌টেজিনেচিয়া (Nyctaginaceae) পৰিয়ালৰ অন্তৰ্গত। পুনৰ্ণৱা গছ সাধাৰণতে ক্ৰান্তীয় আৰু উপক্ৰান্তীয় অঞ্চল তথা নাতিশীতোষ্ণ অঞ্চলৰ কিছু অংশত প্ৰাকৃতিকভাৱে গজি উঠা দেখা যায়। পুনৰ্ণৱাৰ ৰঙা আৰু বগা দুবিধ প্ৰজাতি পোৱা যায়। এই শাকৰ গোটেই অংশকে ঔষধি হিচাপে ব্যৱহাৰ কৰা হয়। এই গছৰ উচ্চতা ৬০ ছেমি. পৰ্য্যন্ত হয়। পুনৰ্ণৱা গছৰ পাতবোৰ বিপৰীত তীৰ্য্যক আৰু বৃত্তাকাৰ। বৃক্ক বিকল হোৱা, লিভাৰৰ সমস্যা, কৰ্কট ৰোগ, জ্বৰ, এলাৰ্জি, হাত-ভৰি উখহা, হৃদৰোগ ইত্যাদি ৰোগৰ পৰা উপশম পোৱাৰ ক্ষেত্ৰত এইবিধ উদ্ভিদে সহায় কৰে। ❖

**নয়নতৰা** : ইংৰাজী নাম : Periwinkle, বৈজ্ঞানিক নাম : *Catharanthus roseus* : নয়নতৰা হ'ল অসমত পোৱা এক সাধাৰণ ফুল গছ। ই গুলপীয়া বা বগা পাঁচ পাহিৰ ফুলবোৰৰ বাবে পৰিচিত। নয়নতৰা ফুল এপ'চাইনেচিয়া (Apocynaceae) পৰিয়ালৰ অন্তৰ্ভুক্ত। এই ফুলৰ আদি বাসস্থান মাদাগাস্কাৰ। ভাৰতকে ধৰি বাংলাদেশ, পাকিস্তান আৰু আফ্ৰিকা মহাদেশসহ আৰু বহু দেশত ইয়াক দেখা যায়। ই এবিধ গুল্মজাতীয় আৰু বহু বৰ্ষজীৱী উদ্ভিদ। নয়নতৰা ফুলৰ উচ্চতা ২ৰ পৰা ৩ ফুটতকৈ বেছি হোৱা দেখা নাযায়। ইয়াৰ পাত বিপৰীত তীৰ্য্যক, মসৃণ আৰু ডিম্বাকৃতিৰ। এইবিধ ফুল ফুলৰ বাগিচা আৰু ঘৰৰ ছাদ বা পিৰালিত ৰোৱা দেখা যায়। ই ঘৰৰ চৌহদৰ সৌন্দৰ্য্যবৰ্দ্ধন কৰে। নয়নতৰাৰ পাত, ফুল আৰু ডালত বহু মূল্যবান ৰাসায়নিক উপাদান পোৱা যায়। ৭০টাতকৈ বেছি উপক্ষাৰ ইয়াৰ পৰা আহৰণ কৰা হয়। কৃমি ৰোগত, মেধাশক্তি বৃদ্ধিত, লিউকেমিয়া, মধুমেহ, ৰক্তচাপ বৃদ্ধি, বাত বিষ ইত্যাদি নানা ৰোগৰ পৰা উপশম পাবলৈ নয়নতৰা ফুল ব্যৱহাৰ কৰা হয়। বিভিন্ন ঘা আৰু কীট-পতংগৰ দংশনত নয়নতৰাৰ ফুল বা পাতৰ ৰস ব্যৱহাৰ কৰা দেখা যায়। ❖



# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## চাবোনৰ ইতিহাস



আমাৰ দৈনন্দিন জীৱনৰ অংশ হৈ পৰা চাবোনৰ ইতিহাস অতি পুৰণি। খৃষ্টপূৰ্ব ২৮০০ মানতে বেবিলনৰ বাসিন্দাসকলে চাবোন ব্যৱহাৰ কৰিছিল। তেওঁলোকে খৰিৰ ছাই আৰু জন্তুৰ চৰ্বিৰ সহায়ত একপ্ৰকাৰৰ চাবোন তৈয়াৰ কৰি লৈছিল। প্ৰাচীন যুগৰ এই চাবোনবোৰ গা ধুবৰ বাবে উপযুক্ত নাছিল। কাপোৰ ধুবৰ বাবেহে সেইবোৰ ব্যৱহাৰ কৰা হৈছিল।

ৰোমান কাহিনী মতে চাবোন বুজোৱা 'ছপ' শব্দটো ছাপো পৰ্বতৰ পৰা আহিছে। সেই পৰ্বতত দেৱতাৰ সন্তুষ্টিৰ বাবে জীৱ-জন্তুবোৰ বলি দিয়া হৈছিল। বৰষুণৰ পানীয়ে জন্তুবোৰৰ চৰ্বী আৰু যাগ-যজ্ঞৰ জুইৰ ছাই মিহলি কৰি তলৰ টিবাৰ নদীলৈ লৈ গৈছিল। টিবাৰ নদীৰ কাষৰীয়া অঞ্চলত বাস কৰা মানুহে চাবোন সদৃশ এই মিশ্ৰণ ব্যৱহাৰ কৰি কাপোৰ ধুইছিল। তেওঁলোকে এই বস্তুবিধৰ নাম দিছিল ছ'প। প্ৰাচীন হিব্ৰুসকলে আৱিষ্কাৰ কৰিছিল যে কিছুমান গছৰ শিপা গৰম কৰিলে মলি দূৰ কৰিব পৰা পানী ওলায়। ত্ৰয়োদশ শতিকাৰ আগতেই আৰবীয়সকলে জলফাই তেল বা অলিভ অইলৰ লগত ছাই মিহলাই চাবোন প্ৰস্তুত কৰিব জানিছিল। সেই সময়ত চাবোন প্ৰস্তুত কৰাটো দীঘলীয়া আৰু খৰচী কাৰবাৰ আছিল। তদুপৰি চাবোনৰ ওপৰত যথেষ্ট কৰো জাপি দিয়াৰ বাবে এচাম ধনী লোকেহে চাবোন ব্যৱহাৰ কৰিব পাৰিছিল।

শিল্প বিপ্লৱৰ পাছত চাবোন ব্যৱহাৰ কৰাটো এক উদ্যোগলৈ পৰিণত হয়। ১৭৮৯ চনত এণ্ড্ৰিউ পিয়েৰ্ছে উচ্চমানৰ চাবোন প্ৰস্তুত কৰাৰ পদ্ধতি বিকাশ কৰে। ১৮৬২ চনত তেওঁৰে জোঁৱায়েক থমাছ কে কাৰাটে চাবোন প্ৰস্তুত কৰা এটা কাৰখানা প্ৰতিষ্ঠা কৰে। ইয়াৰ আগতে ১৮৩৭ চনত ৰবাৰ্ট স্পিয়েৰ হাডছনে চাবোনৰ পাউডাৰ প্ৰস্তুত কৰাৰ এক পদ্ধতি আৱিষ্কাৰ কৰিছিল। ১৮৬৬ চনত ৱাশ্বিংটনত উইলিয়াম আৰু জেমছ লিভাৰ ভ্ৰাতৃদ্বয়ে বৰ্তমান ইউনিলিভাৰ নামেৰে জনাজাত প্ৰতিষ্ঠানটো আৰম্ভ কৰে। ইয়াৰ পাছৰ পৰাই চাবোন উদ্যোগে ক্ৰমান্বয়ে বিকাশ লাভ কৰে। ❖

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. তলৰ অনুক্ৰমটোৰ '?' চিনৰ ঠাইত কি বহিব?

PU, QV, RW, SX, ?

a) TY b) ZE c) AF d) BG

2. তলৰ অনুক্ৰমটোৰ '?' চিনৰ ঠাইত কি বহিব?


ZYBA, XWDC, VUFE, ?

a) SRGH b) RQTH c) SQHG d) TSHG

3. যদি এটা সাংকেতিক ভাষাত PHONE ক 45123 হিচাপে আৰু MONEY ক 61237 হিচাপে লিখা হয়, তেন্তে সেই সংকেতত HONEY ক কি হিচাপে লিখা হ'ব?

a) 15237 b) 51327 c) 51237 d) 51273

4. '?' চিনৰ ঠাইত কি সংখ্যা বহিব?




a) 2 b) 3 c) 4 d) 6

5. তলৰ কথাখিনি পঢ়া আৰু লগতে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিওৱা :

Z, Y ৰ পিতা, কিন্তু Y, Z ৰ পুত্ৰ নহয়। P, Y ৰ জীয়ৰী। Q, Z ৰ পত্নী। B, Y ৰ ভাই। D, B ৰ পুত্ৰ।

i) Z ৰ নাতিনী কোন?

a) Y b) Q c) P d) এটাও নহয়

ii) Z ৰ পুত্ৰ কোন?

a) B b) Y c) D d) P

iii) P, Q ৰ কি হয়?

a) মা b) নাতিনী c) জীয়ৰী d) আইতা

iv) D, Q ৰ কি হয়?

a) দেউতা b) ককা c) পুত্ৰ d) নাতি

6. তলৰ কথাখিনি ভালদৰে পঢ়া আৰু লগতে দিয়া প্ৰশ্নসমূহৰ উত্তৰ উলিওৱা :

মৃণালে A নামৰ এখন ঠাইৰ পৰা দক্ষিণমুৱাকৈ খোজ কাঢ়িবলৈ আৰম্ভ কৰিলে। 15 মিটাৰ যোৱাৰ পিছত তেওঁ বাঁওফালে ঘূৰি 10 মিটাৰ খোজ কাঢ়ে। তাৰ পিছত আকৌ বাঁওফালে ঘূৰি 11 মিটাৰ খোজ কাঢ়ে। এইবাৰ তেওঁ পুনৰ বাঁওফালে ঘূৰি 7 মিটাৰ গৈ B নামৰ এখন ঠাইত ৰৈ যায়।

i) মৃণালে মুঠতে কিমান দূৰত্ব অতিক্ৰম কৰিলে?

a) 40 মি. b) 43 মি. c) 51 মি. d) 53 মি.

ii) আৰম্ভণি স্থানৰ পৰা মৃণাল এতিয়া কিমান দূৰত আছে?

a) 5 মি. b) 8 মি. c) 10 মি. d) 14 মি.

iii) মৃণাল শেষত কোনমুৱা হৈ আছিল?

a) উত্তৰ b) দক্ষিণ c) পূব d) পশ্চিম


iv) A, B ৰ পৰা কোন দিশত আছে?


a) উত্তৰ-পূব b) উত্তৰ-পশ্চিম c) উত্তৰ-পূব d) দক্ষিণ-পশ্চিম


v) B, A ৰ পৰা কোন দিশত আছে?


a) উত্তৰ-পূব b) উত্তৰ-পশ্চিম c) দক্ষিণ-পূব d) উত্তৰ-পূব


7. '?' চিনৰ ঠাইত কোনটো চিত্ৰ বহিব?





a) 

b) 

c) 

d) 

8. অমিল চিত্ৰটো বাছি উলিওৱা :



a) b) c) d)

| | | | | |
|---|---|---|---|---|
| **উত্তৰসমূহ :** | 1. a | 2. d | 3. c | 4. c |
| | 5. i) c | ii) a | iii) b | iv) d |
| | 6. i) b | ii) a | iii) d | iv) b |
| | v) c | 7. c | 8. d | |

# গাইডিনলিউ : ৰাণী, পৰ্বতকন্যা

অলকা গোস্বামী



১৩ বছৰ বয়সৰ পৰা ৭৮ বছৰ বয়সলৈকে প্ৰায় ৬৫টা বছৰ কেৱল স্বজাতি-স্বগোষ্ঠীৰ উন্নয়নৰ সপোন দেখি জীৱন পাত কৰা এগৰাকী সংগ্ৰামীৰ নাম গাইডিনলিউ। যৌৱনৰ আৰম্ভণিতে এইগৰাকী সংগ্ৰামীৰ নাম গাইডিনলিউৰ লগত দুটাকৈ উপাধি বা বিশেষণ দিয়া হৈছিল : ক্ৰমে পৰ্বতকন্যা আৰু ৰাণী। সৰ্বসাধাৰণে পাছৰ বিশেষণটো বেছি পছন্দ কৰিলে, সেয়ে তেওঁ ৰাণী গাইডিনলিউ নামেৰে পৰিচিতি লাভ কৰিলে। ঝান্সীৰ ৰাণী লক্ষ্মীবাঈক বাদ দিলে, সমগ্ৰ স্বাধীনতা আন্দোলনটোত বৃটিছৰ বিৰুদ্ধে অস্ত্ৰ তুলি লোৱা সম্ভৱতঃ একমাত্ৰ মহিলা আছিল ৰাণী গাইডিনলিউৰেই।

সেয়া মহাত্মা গান্ধীৰ নেতৃত্বত বৃটিছৰ বিৰুদ্ধে স্বাধীনতা আন্দোলনৰ সময়। মণিপুৰৰ জেলিয়াংৰং নগাসকলৰ ৰংমেই জনগোষ্ঠীৰ মুৰব্বী হাইপাও জাদোনাঙে (Haipou Jadonang) আৰম্ভ কৰিছিল এটা ধৰ্মীয় আন্দোলন। জনজাতি সমাজৰ বহু ঈশ্বৰবাদী বিশ্বাসত সংস্কাৰ আনি ইয়াক একেশ্বৰবাদী কৰাৰ প্ৰয়াসেৰে কৰা এই আন্দোলনটোক হেৰাকা (Heraka) বুলি জনা যায়। ৰংমেইসকলক খৃষ্টান ধৰ্ম লোৱাৰ পৰা বিৰত কৰাই আছিল এই আন্দোলনৰ উদ্দেশ্য। পাছে অচিৰেই এই ধৰ্মীয় আন্দোলনটো বৃটিছ বিৰোধী ৰাজনৈতিক আন্দোলনত পৰিণত হ'ল, বৃটিছক মণিপুৰৰ পৰা আঁতৰাই পঠিয়াবলৈ হাইপাৱে এটা সৈন্যবাহিনী গঠন কৰিলে। এয়া আছিল ভগৎ সিং, চন্দ্ৰশেখৰ আজাদৰ দৰে বিপ্লৱীসকলে বৃটিছ বিৰোধী সশস্ত্ৰ আন্দোলন আৰম্ভ কৰাৰ সময়ৰ কথা। হাইপাওৰ আন্দোলনটো কলিতেই বিনাশ কৰাৰ সংকল্প ল'লে বৃটিছে। ১৯৩১ চনৰ ১৯ ফেব্ৰুৱাৰীত ৬০০ সমৰ্থকসহ হাইপাওক বৃটিছে গ্ৰেপ্তাৰ কৰে। ১৯৩১ চনৰ ২৯ আগষ্টত ইম্ফল কাৰাগাৰৰ পিছফালে, নামবুল নৈৰ পাৰত মুকলিকৈ বৃটিছে ফাঁচি দিয়ে হাইপাওক। হাইপাওৰ ফাঁচিয়ে পাছে তেওঁৰ সমৰ্থকসকলক নিৰুৎসাহ কৰিব নোৱাৰিলে, হেৰাকা আন্দোলন বন্ধ নহ'ল। কেৱল ইয়াৰ নেতা সলনি হ'ল। এই আন্দোলনৰ নেতৃত্ব ল'বলৈ আগ বাঢ়ি আহিল এগৰাকী কিশোৰী, নাম গাইডিনলিউ।

মণিপুৰৰ তামেংলং অঞ্চলৰ নুংকাও (Nungkao) নামৰ এখন গাঁৱত, ১৯১৫ চনৰ ২৬ জানুৱাৰীত জন্ম হৈছিল গাইডিনলিউৰ। জেলিয়াংৰং নাথা সম্প্ৰদায়ৰ ৰংমেই জনগাষ্ঠীত জন্ম হোৱা গাইডিনলিউৰ পিতৃ-মাতৃ ক্ৰমে লোথোনাং পমেই (Lothonang Pamei) আৰু কাচাকালেমলিউ। (Kachakalemliu) পিতৃ-মাতৃৰ সাতটা সন্তানৰ ভিতৰত গাইডিনলিউ আছিল পঞ্চম সন্তান। আমি ইতিমধ্যে কৈ অহা হেৰাকা আন্দোলনৰ নেতা হাইপাও আছিল গাইডিনলিউৰ খুৰাক। সৰুৰে পৰা গাইডিনলিউ খুৰাকৰ অনুগত আছিল; আনকি খুৰাকৰ গ্ৰেপ্তাৰৰ সময়তো গাইডিনলিউ তেওঁৰ লগতে আছিল। খুৰাকক বৃটিছে ফাঁচি দিয়া ঘটনাই গাইডিনলিউৰ স্বাধীনতা স্পৃহা বৃদ্ধি কৰিলে আৰু তেওঁ কেৱল হেৰাকাই নহয় জেলিয়াংৰংসকলৰ স্বাধীনতাৰ হকে আন্দোলনৰ নেতৃত্ব কান্ধ পাতি ল'লে। একে সময়তে তেওঁ ইতিমধ্যে ভাৰতজুৰি চলি থকা স্বাধীনতা আন্দোলনৰ সৈতেও সম্পৰ্ক স্থাপন কৰিলে। গাইডিনলিউৰ আন্দোলন অৱশ্যে সম্পূৰ্ণ অহিংস নাছিল, তেওঁৰ এটা সশস্ত্ৰ গোটো আছিল। অৰ্থাৎ হিংস আৰু অহিংস, এই দুয়োটা পদ্ধতিৰেই তেওঁ স্বাধীনতাৰ যুঁজ আৰম্ভ কৰিছিল। অৱশ্যে বৃটিছৰ মূৰৰ কামোৰ হৈ পৰিছিল গাইডিনলিউৰ সশস্ত্ৰ গোটটোহে। ১৯৩২ চনৰ ১৬ ফেব্ৰুৱাৰীত তেতিয়াৰ কাছাৰ পাহাৰৰ নামনিত আৰু সেই

বছৰৰে ১৮ মাৰ্চত হংগ্ৰাম গাঁৱত দুটা বৃহৎ সংঘৰ্ষ হয় বৃটিছ সৈন্য আৰু গাইডিনলিউৰ বাহিনীৰ মাজত। সেই সময়তে তামেংলং জিলাৰ উপায়ুক্ত জে পি মিলছে গাইডিনলিউৰ মূৰৰ দাম ৫০০ টকা ঘোষণা কৰে। লগতে গাইডিনলিউৰ খবৰ দিয়া গাঁওখনক দহ বছৰ সকলো কৰৰ পৰা ৰেহাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হয়। বৃটিছৰ প্ৰবল অভিযানৰ পৰা তেওঁ বেছি দিন পলাই থাকিব নোৱাৰিলে। ১৯৩২ চনৰ ১৭ অক্ট'বৰত কেপ্টেইন মেকড'নাল্ডে চলোৱা আকস্মিক অভিযানত কনোমা (Kanoma) গাঁৱত সদলবলে গ্ৰেপ্তাৰ হয় গাইডিনলিউ। বৃটিছে বিচাৰ কৰি তেওঁক দেশদ্ৰোহৰ অভিযোগত যাৱজ্জীৱন কাৰাদণ্ড দিয়ে।

গাইডিনলিউৰ এই সংগ্ৰামৰ কথা কাহিনী হৈয়েই হয়তো মণিপুৰৰ গাঁৱে-ভূঁয়ে হেৰাই গ'লহেঁতেন, যদিহে জৱাহৰলাল নেহৰুৱে তেওঁক লগ নাপালেহেঁতেন। ভাৰতীয় জাতীয় কংগ্ৰেছৰ তেতিয়াৰ নতুন আৰু প্ৰভাৱশালী নেতা জৱাহৰলাল নেহৰুৱে ১৯৩৭ চনত অসম ভ্ৰমণ কৰিছিল। এই ভ্ৰমণকালত তেওঁ শ্বিলঙলৈকে গৈছিল আৰু তাতেই গাইডিনলিউৰ বিষয়ে জানিব পাৰিছিল। তেওঁ গাইডিনলিউক শ্বিলং কাৰাগাৰত লগ ধৰে আৰু পৰৱৰ্তী সময়ত তেওঁ গাইডিনলিউৰ সংগ্ৰামৰ বিষয়ে বাতৰি কাকতত নিবন্ধ লিখি 'পৰ্বতকন্যা' (daughter of hills) আৰু 'ৰাণী' (queen) বিশেষণ দিয়ে। সৰ্বসাধাৰণে তেওঁৰ 'ৰাণী' বিশেষণটো শ্ৰদ্ধাসহকাৰে গ্ৰহণ কৰে; তেওঁ 'ৰাণী গাইডিনলিউ' নামেৰে বিখ্যাত হৈ পৰে।

ভাৰতে স্বাধীনতা পোৱাৰ সময়লৈকে ৰাণী কাৰাগাৰতে আছিল। প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ নিৰ্দেশত ১৯৪৭ চনত গাইডিনলিউৱে কাৰাগাৰৰ পৰা মুক্তি পায়। সেই সময়ত তেওঁ আছিল তুৰা কাৰাগাৰত।

দেশে স্বাধীনতা পালেও গাইডিনলিউৰ সংগ্ৰাম শেষ হোৱা নাছিল। একমাত্ৰ ভ্ৰাতৃ মাৰাঙৰ ঘৰত, টুৱেনচাং জিলাৰ ভিমৰাপ গাঁৱত থাকি তেওঁ নিজৰ সম্প্ৰদায় আৰু গোষ্ঠীৰ উন্নতিৰ হকে কাম কৰিবলৈ লয়। সেই সময়তে নগা নেতা আংগামী জাপো ফিজোৱে নগা নেছনেল কাউন্সিল গঠন কৰি সশস্ত্ৰ পন্থাৰে স্বাধীন নাগালেণ্ডৰ দাবীৰে আন্দোলন আৰম্ভ কৰে। গাইডিনলিউৱে অৱশ্যে এই আন্দোলনলৈ সমৰ্থন আগ নবঢ়ালে। তেওঁ ভাৰততে থাকি স্বজাতি-স্বগোষ্ঠীৰ উন্নয়ন সম্ভৱপৰ বুলি মন্তব্য কৰিলে। ১৯৫৩ চনত তেওঁ জন্মগাঁও লুংকাওলৈ যায় আৰু জেলিয়াংৰং সম্প্ৰদায়ৰ বাবে স্বায়ত্ত শাসন দাবী কৰে। এই উদ্দেশ্যে তেওঁ ক্ৰমে ইম্ফল আৰু নতুন দিল্লীত প্ৰধানমন্ত্ৰী নেহৰুক লগো কৰে। পাছে স্বাধীন ভাৰত চৰকাৰৰ হোঁহকা-পিছলা নীতিত অসন্তুষ্ট হৈ ১৯৬০ চনত তেওঁ পুনৰ হেৰাকা আন্দোলন আৰম্ভ কৰে আৰু ফিজোৰ আদৰ্শৰ আধাৰত ভাৰত চৰকাৰৰ সমান্তৰালভাৱে 'জেলিয়াংৰং প্ৰশাসন' আৰম্ভ কৰে। অৱশ্যে ইতিমধ্যে বয়সেৰে ৫০ বছৰ অতিক্ৰম কৰা ৰাণীৰ বাবে আত্মগোপনকাৰী জীৱন-যাপন কঠিন হৈ পৰে। গতিকে মুকলি সহযোগীসকলৰ পৰামৰ্শ মতে তেওঁ ১৯৬৬ চনত ৰাজপথৰ আন্দোলনলৈ উভতি আহে। সেই বছৰতে তেওঁ ক্ৰমে কহিমা আৰু নতুন দিল্লীত প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীক লগ ধৰে আৰু সহযোগী সংগ্ৰামীসকলক চৰকাৰী চাকৰি দিয়ায়। ভাৰত চৰকাৰে জেলিয়াংৰং স্বায়ত্ত শাসনক স্বীকৃতি নিদিয়াৰ প্ৰতিবাদত তেওঁ পুনৰ আত্মগোপন আন্দোলনৰ ভাবুকি দিয়ে যদিও চৰকাৰৰ অনুৰোধত এই সিদ্ধান্ত তেওঁ পৰিত্যাগ কৰে। অৱশ্যে স্বগোষ্ঠীৰ উন্নয়নৰ সপোন তেওঁ মৃত্যুৰ সময়লৈকে পৰিত্যাগ নকৰিলে। এনে দাবীত তেওঁ শেষ দিনটোলৈকে ৰাজপথত সৰৱ হৈ থাকিল। ১৯৯১ চনলৈ তেওঁ কহিমাত থাকে। সেই বছৰতে তেওঁ জন্মা গাঁও লুংকাওলৈ যায় আৰু তাতেই সেই বছৰৰ ১৭ ফেব্ৰুৱাৰীত ৭৮ বছৰ বয়সত শেষ নিশ্বাস এৰে।

সংগ্ৰামৰ স্বীকৃতিস্বৰূপে ৰাণী গাইডিনলিউৱে ১৯৭২ চনত মুক্তি যুঁজাৰুৰ তাম্ৰপত্ৰ লাভ কৰে। ১৯৮২ চনত পদ্মভূষণ আৰু ১৯৮৩ চনত বিবেকানন্দ সেৱা পুৰস্কাৰ লাভ কৰা গাইডিনলিউৰ সন্মানাৰ্থে ১৯৬৬ চনত স্মাৰক ডাক টিকট ছপা কৰা হয়। ❖

# জোনাকীক জানো আহা

**পল্লৱী গোস্বামী**



জোনাকী পৰুৱা এটি সন্ধিয়া পৰত
সৰু সৰু পাখি দুটি মেলি
হিয়াভৰা আনন্দে আপোনা-আপুনি
ফুৰিছিল কত খেলা খেলি।

আঁউসীৰ ঘোৰ অন্ধকাৰ নিশা জিলীৰ মাত আৰু জোনাকী পৰুৱাৰ মায়াময় তিৰবিৰণি। এয়া এসময়ৰ আমাৰ গাঁওবোৰৰ এখন চিনাকি ছবি। যেতিয়া গাঁওবোৰত বেছি বিজুলী বাতিৰ সংযোগ নাছিল আৰু কাৰেণ্ট এবাৰ গ'লে অহাৰ নামেই নলৈছিল, তেতিয়া এই জোনাকী পৰুৱাবোৰেও পথিকক পথৰ বতৰা দিছিল। গৰমৰ দিনত সন্ধিয়া পৰত চুবুৰিৰ ল'ৰা-ছোৱালীবোৰে জাক পাতি বাটে বাটে জোনাকী পৰুৱাৰ পোহৰ অনুসৰণ কৰি খোজ কাঢ়ি ফুৰা, অমিতাৰ ফোঁপোলা ঠাৰিৰ ভিতৰত জোনাকী পৰুৱা ধৰি সুমুৱাই লোৱা বহুতৰে শৈশৱৰ স্মৃতি।

কণমানি পাখি দুখনিৰে কোমল দেহী মুগা বৰণীয়া জোনাকী পৰুৱাৰ বৈজ্ঞানিক নাম লেম্পাইৰিড (Lampyride) আৰু ইহঁত ক'লিঅ'প্টেৰা (Coleoptera) বৰ্গৰ অন্তৰ্ভুক্ত। পৃথিৱীৰ বিভিন্ন প্ৰান্তত প্ৰায় ২০০০ প্ৰজাতিৰ জোনাকী পৰুৱা দেখিবলৈ পোৱা যায়। এণ্টাৰ্কটিকাৰ বাহিৰে পৃথিৱীৰ সকলো ঠাইতে জোনাকী পৰুৱা পোৱা যায়। ইহঁত সন্ধিপদী প্ৰাণী। ইহঁতৰ জীৱনকাল মাথোঁ দুবছৰ আৰু আকাৰ প্ৰায় ১.৫ ছেণ্টিমিটাৰৰ পৰা ২ ছেণ্টিমিটাৰ। প্ৰকৃততে যোগাযোগৰ অৱলম্বন, শত্ৰুৰ পৰা ৰক্ষা পোৱাৰ সাধন আৰু সংগীক আকৰ্ষণ কৰাৰ মাধ্যম হিচাপে ইহঁতে তিৰবিৰকৈ উজলি পোহৰ বিলায়। এই পোহৰ বিলাবলৈ জোনাকী পৰুৱাৰ পেটৰ তলফালে লুচিফেৰেজ (luciferase) আৰু লুচিফেৰিন (luciferine) নামৰ দুবিধ ৰাসায়নিক পদাৰ্থ থাকে। লুচিফেৰিন তাপৰোধক আৰু পৰিস্থিতি সাপেক্ষে উজলি উঠে। লুচিফেৰেজ এবিধ এনজাইম। ই পোহৰ বিকিৰণত সহায় কৰে। বিভিন্ন প্ৰজাতিৰ জোনাকী পৰুৱাৰ পোহৰ নীলা, সেউজীয়া, হালধীয়া, কমলা, ৰঙা আদি ভিন ভিন ৰঙৰ হয়। জোনাকী পৰুৱাৰ পোহৰৰ পৰা কোনো উত্তাপ সৃষ্টি নহয়।

উষ্ণ আৰু আৰ্দ্ৰ জলবায়ু জোনাকী পৰুৱাৰ প্ৰিয়। সেয়ে বিশেষকৈ জহকালি হাবি, পথাৰ, পিটনি আদিত আৰু নৈ, জান-জুৰিৰ কাষৰীয়া ঠাইত ইহঁতক দেখা যায়। জোনাকী পৰুৱাবোৰ সাধাৰণতে মাংসভোজী। কিছুমান প্ৰজাতিৰ জোনাকী পৰুৱাই নিজৰ সংগীকো ভক্ষণ কৰে। আন কিছুমানে ফুলৰ ৰেণু, মৌ আদিও খায়। বিভিন্ন পাৰিপাৰ্শ্বিক কাৰণত ধৰাত জোনাক সিঁচা এই জোনাকীবোৰৰ সংখ্যা লাহে লাহে কমি আহিছে। ইণ্টাৰনেছনেল ইউনিয়ন ফৰ কনজাৰ্ভেছন অব নেচাৰৰ (IUCN) বিপদগ্ৰস্ত প্ৰজাতিৰ তালিকাত ইহঁতো অন্তৰ্ভুক্ত হৈছে। পোহৰ প্ৰদূষণ, কীটনাশকৰ প্ৰয়োগ, জলবায়ু পৰিবৰ্তন আদিৰ দৰে কাৰকবোৰে ইহঁতৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। বৰ্তমান দ্ৰুতগতিত হোৱা বনাঞ্চল ধ্বংসও ইয়াৰ আন এক অন্যতম কাৰণ।

কৃত্ৰিম পোহৰ, ম'বাইলৰ পৰা নিৰ্গত ৰশ্মি আদিয়ে ইহঁতৰ বিস্তৰ ক্ষতি কৰে।

আনহাতে পোহৰৰ চমক দেখুওৱা এই পৰুৱাবোৰক লৈ বিশ্বৰ কিছুমান ঠাইত পৰ্য্যটন ক্ষেত্ৰও গঢ়ি উঠিছে। ইয়াৰ ভিতৰত জাপান অন্যতম। জাপানীসকলে গ্ৰীষ্ম কালৰ মধ্যভাগত আগমন ঘটা জোনাকী পৰুৱাক লৈ এক বিশেষ নান্দনিক আনন্দ-উৎসৱ উদ্‌যাপন কৰে। তেওঁলোকে জোনাকী পৰুৱাক হোতাৰু (hotaru) বুলি কয় আৰু এই প্ৰাণীবিধে জাপানী সংস্কৃতিত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। জাপানীসকলে জোনাকী পৰুৱাৰ পোহৰবোৰ যুদ্ধত মৃত সৈনিকৰ আত্মা বুলি বিশ্বাস কৰে। গ্ৰীষ্মকালত জাপান দেশ ভ্ৰমণ কৰিবলৈ গ'লে পৰ্য্যটন ক্ষেত্ৰ কিছুমানলৈ গৈ জোনাকী পৰুৱাৰ নান্দনিক শোভা উপভোগ কৰিব পাৰি। আমাৰ দেশৰো মহাৰাষ্ট্ৰ ৰাজ্যৰ কেইবাখনো ঠাইত জোনাকী পৰুৱাক লৈ বিশেষ ধৰণৰ উৎসৱ উদ্‌যাপিত হয়। মহাৰাষ্ট্ৰৰ নাচিকত থকা পুৰুষৱাড়ী ফায়াৰফ্লাই কেম্প মে'-জুন মাহৰ নিশা জোনাকী পৰুৱাৰ পোহৰৰ এক মনোমোহা দৃশ্য উপভোগ কৰাৰ বিশেষ স্থান। য'ত হাজাৰ হাজাৰ জোনাকীৰ জিকমিক পোহৰ আৰু লয়লাস ভংগিমাই মন হৰণ কৰে। পুৰুষৱাড়ীৰ উপৰি মহাৰাষ্ট্ৰৰ কোঠালিগড় দুৰ্গ, ভাণ্ডাৰধাৰা, সিদ্ধগড় দুৰ্গ, ৰাজমাছি দুৰ্গ, প্ৰবালমাছি দুৰ্গ আদি ঠাইতো জোনাকী পৰুৱাৰ এনে আলোক উৎসৱ দেখা যায়।

সাধুকথা, গীত, কবিতাৰ মাজতো জোনাকীজনীয়ে কত যে পোহৰৰ লুকা-ভাকু খেলে। নিশাৰ প্ৰকৃতিৰো যে অপৰূপ শোভা থাকে সেই কথা ইহঁতেই সোঁৱৰাই দিয়ে। ❖



# কৰ্প'ৰেট ফাইনেন্স

জোনালী দেৱী

### কৰ্প'ৰেট ফাইনেন্স কি?

যিকোনো সংগঠন প্ৰধানকৈ ব্যক্তিগত খণ্ডত গঢ় লৈ উঠা সৰু-ডাঙৰ সকলো সংগঠনৰেই প্ৰধান লক্ষ্য বা উদ্দেশ্য হৈছে সেই সংগঠনৰ বাৰ্ষিক উপাৰ্জনৰ পৰিমাণ বৃদ্ধি কৰা আৰু বাৰ্ষিক ব্যয়ৰ হাৰ হ্ৰাস কৰা। কোনো এক সংগঠনৰ প্ৰতিটো কাম-কাজ, যেনে—হিচাপ-নিকাচ, সাংগঠনিক পৰিকল্পনা, বিনিয়োগ আদিকে ধৰি সকলো কাম চলাই নিবলৈ একোটা সুকীয়া বিভাগ থাকে। কৰ্প'ৰেট ফাইনেন্সো সংগঠন এটাত থকা এনে এক সুকীয়া বিভাগ, যি বিভাগে সংগঠনটোৰ বাবে দৰকাৰ হোৱা পুঁজি যোগান ধৰাকে আদি কৰি সেই সংগঠনৰ বছৰেকীয়া আয়-ব্যয়ৰ লগত জড়িত সকলো ধৰণৰ কাম-কাজ পৰিচালনা কৰে। লগতে ব্যৱসায়ৰ দৈনন্দিন নগদ ধনৰ কাৰ্য্যকলাপ, দীৰ্ঘম্যাদী বিত্তীয় বিনিয়োগৰ লক্ষ্য তথা পৰিকল্পনা; হিচাপ, সাংগঠনিক সম্পত্তি, দায়বদ্ধতা আদি কাম-কাজৰ লগতো এই বিভাগ জড়িত হৈ থাকে।

এই খণ্ডৰ বিভিন্ন পদত প্ৰাৰ্থী একোগৰাকী নিয়োজিত হ'ব পাৰে। ইয়াত তেনে পদ কেইটামান উল্লেখ কৰা হ'ল।

**ৰিয়েল ইষ্টেট মেনেজাৰ :** কোনো এক কোম্পানীৰ ব্যৱসায়ৰ বাবে বাণিজ্যিক সম্পত্তিৰ মূল্যায়ন আৰু সেই সম্পত্তি সুৰক্ষিত কৰাৰ বাবে এজন ৰিয়েল ইষ্টেট মেনেজাৰ নিয়োগ কৰা হয়। সম্পত্তি ক্ৰয়, বিক্ৰী, ভাৰা দিয়া, ভাৰাৰ উপাৰ্জন নিৰ্দ্ধাৰণ কৰা, লীজ চুক্তিৰ আলোচনা কৰা আদি সকলো ধৰণৰ কাম-কাজৰ নিৰীক্ষণ তথা পৰিকল্পনা কৰাই এজন ৰিয়েল ইষ্টেট মেনেজাৰৰ মুখ্য কাম। কোনো প্ৰাৰ্থী বা শিক্ষাৰ্থীয়ে যদি



এই খণ্ডত নিজৰ কেৰিয়াৰ গঢ়িব বিচাৰে তেনেহ'লে তেওঁ ৰিয়েল ইষ্টেট খণ্ডত স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী, বিত্তৰ ডিগ্ৰী বা ব্যৱসায় প্ৰশাসনৰ (Business Administration) ডিগ্ৰী লাভ কৰিব লাগিব।

**কৰ্প'ৰেট একাউণ্টেণ্ট** (corporate accountant) : কোনো এক সংগঠনৰ বিত্তীয় তথ্য, বিত্তীয় বিবৃতি আৰু ফলাফল একত্ৰিত তথা বিশ্লেষণ কৰাকে ধৰি সাংগঠনিক বাজেট প্ৰস্তুত, মাহিলি-তিনিমহীয়া আৰু বাৰ্ষিক আয়-ব্যয়ৰ হাৰ নিৰীক্ষণ কৰা, সকলো ধৰণৰ আয়-ব্যয়ৰ সঠিক হিচাপ ৰখা আৰু ভৱিষ্যতে হ'ব পৰা আয় আৰু ব্যয়ৰ পৰিমাণৰ তালিকা প্ৰস্তুত কৰা আদি সকলো কাম-কাজ নিৰীক্ষণ কৰাই হৈছে কৰ্প'ৰেট একাউণ্টেণ্টৰ দায়িত্ব।

কোনো শিক্ষাৰ্থীয়ে যদি এই বিভাগত নিজকে নিয়োজিত কৰিবলৈ বিচাৰে তেনেহ'লে তেওঁলোকে দ্বাদশ শ্ৰেণীৰ (বাণিজ্য) পাছত একাউণ্টেন্সিত (accountancy) স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা প্ৰয়োজন। লগতে এই বিষয়ত স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰীধাৰীসকলৰ চাৰ্টিফাইড পাব্লিক একাউণ্টটেণ্ট (Certified Public Accountant, CPA) বা চাৰ্টিফাইড মেনেজমেণ্ট একাউণ্টটেণ্ট (Certified Management Accountant, CMA) আদিৰ দৰে ডিপ্ল'মা থাকিলে নিযুক্তি লাভ কৰাত বেছি সুবিধা হয়।

**বিত্তীয় বিশ্লেষক** (Financial Analyst) : এজন বিত্তীয় বিশ্লেষকৰ প্ৰাথমিক ভূমিকা হৈছে সংগঠন এটাৰ অতীত আৰু বৰ্তমানৰ বিত্তীয় তথ্য বিশ্লেষণ কৰা আৰু সেই সংগঠনৰ ভৱিষ্যতৰ ৰাজহ আৰু ব্যয়ৰ অনুমান কৰা। ইয়াৰ উপৰি তেওঁলোকে বিভিন্ন ষ্টক আৰু ব্যৱসায়িক উদ্যোগত বিনিয়োগৰ বিপৰীতে হ'ব লগা লাভৰ অনুমান কৰা, বিত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰা, লগতে সংগঠনটোৱে ভৱিষ্যতে ল'বলগীয়া সিদ্ধান্তসমূহৰ বাবে দৰকাৰী বিভিন্ন তথ্যসমূহ শুদ্ধ ৰূপত সংগ্ৰহ কৰা আদি কামৰ লগতো জড়িত থাকে। কোনো শিক্ষাৰ্থীয়ে যদি নিজকে বিত্তীয় বিশ্লেষক হিচাপে সংস্থাপিত কৰিব বিচাৰে তেনেহ'লে তেওঁলোকে দ্বাদশ শ্ৰেণীৰ পাছত একাউণ্টেন্সি, অৰ্থনীতি, বিত্ত, পৰিসংখ্যা, গণিত আৰু অভিযান্ত্ৰিক আদি বিষয়ত স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিব লাগিব। এই ক্ষেত্ৰত ওপৰৰ খাপৰ পদবী লাভ কৰাৰ বাবে ব্যৱসায় প্ৰশাসনত স্নাতকোত্তৰ ডিগ্ৰী (Masters in Business Administration, MBA) গ্ৰহণ কৰা লোকে অগ্ৰাধিকাৰ পায়।

**কোষাধ্যক্ষ** (treasurer) : কোনো এক সংগঠনৰ বিত্তীয় পৰ্য্যবেক্ষণ, পুঁজি সংগ্ৰহ আৰু বিক্ৰী, বিত্তীয় পৰিকল্পনা আৰু বাজেট প্ৰস্তুতি, বিত্তীয় প্ৰতিবেদন প্ৰস্তুত, বুক কিপিং (book keeping) আৰু ৰেকৰ্ড কিপিং (record keeping) সাংগঠনিক ষ্টক নিয়ন্ত্ৰণ আদি কামৰ প্ৰধান দায়িত্বত থকা ব্যক্তিজনেই হ'ল সেই সংগঠনৰ কোষাধ্যক্ষ।

কোনো প্ৰাৰ্থীয়ে যদি এই খণ্ডত নিয়োজিত হ'ব বিচাৰে তেনেহ'লে দ্বাদশ শ্ৰেণীৰ পাছত একাউণ্টেন্সি বা বিত্তীয় ক্ষেত্ৰত ডিগ্ৰী লাভ কৰিব লাগিব। লগতে একে বিভাগতে স্নাতকোত্তৰ ডিগ্ৰীও গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি চাৰ্টাৰ্ড একাউটেণ্ট (charterd accountant) আদিৰ দৰে পাঠ্যক্ৰমো এই ক্ষেত্ৰত প্ৰযোজ্য হয়।

উল্লিখিত পদবীসমূহৰ উপৰি কৰ্প'ৰেট ফাইনেন্স ক্ষেত্ৰত উপলব্ধ আন পদসমূহৰ ভিতৰত আছে, ব্যয় বিশ্লেষক (cost analyst), বিনিয়োগকাৰী মেনেজাৰ (investor manager), অ'ডিটৰ (auditor), বিত্তীয় পৰিকল্পনা আৰু বিশ্লেষক ব্যৱস্থাপক (financial planning and analysis manager) আদি। ❖

# স্নিগ্ধ ছায়া

**উৎকলিকা ডেকা**
নৰম শ্ৰেণী

বাহিৰত বৰষুণজাক শাম কাটিছে। গছৰ পাতেৰে চোতালখন ভৰি পৰিছে। জবাফুলৰ অকমানি পুলিটোও মৰহি গ'ল। এই পুলিটো মোৰ বৰ মৰমৰ। কাৰণ এই পুলিটো মোৰ মায়ে মোক যোৰহাটলৈ আহিবলৈ ওলাওঁতে উপহাৰ দিছিল আৰু কৈছিল, "মাজনী, তোৰ যেতিয়া মোলৈ আৰু দেউতাৰলৈ বৰকৈ মনত পৰিব তেতিয়া তই এই পুলিটো হাতেৰে এবাৰ মৰম কৰি দিবি। তই য'তেই নাথাক কিয় মাজনী, আমি সদায় তোৰ লগতে থাকিম।"

কিয় জানো মোৰ আজি মালৈ খুব মনত পৰিছে। মোৰ মন গৈছে যোৰহাটৰ টাউনখনৰ পৰা আঁতৰি আহি মোৰ সবাতোকৈ প্ৰিয় মোৰ জন্মস্থান পুঠিমাৰী গাঁওখনলৈ উভতিবলৈ। নালাগে মোক ইমান সুবিধা, নালাগে মোক ইমান যান্ত্ৰিক জটিলতা। মোক লাগে মাথোঁ মা-দেউতাৰ মৰম। এতিয়াও মন যায় মোৰ মাৰ বুকুৰ মাজত কুঁচিমুচি সোমাই লৈ ৰজা, ৰাজকুমাৰ আৰু শুকুলা ঘোঁৰাৰ কাহিনী শুনিবলৈ। মন গৈছে মোৰ মাৰ হাতেৰে গৰম ভাতৰ লগত কণী, আলু পিটিকা খাবলৈ। যোৰহাটৰ এই ঠাইডোখৰত মই বৰ্তমান আছোঁ এটা ভাৰাঘৰত। সকলো সুবিধা আছে এই ভাৰাঘৰটোত, কিন্তু মাৰ মৰমহে নাই। মায়ে মৰমতে দিয়া গছপুলিটোও বৰষুণৰ বাবে অকালতে মৰহি গ'ল। এতিয়া মাথোঁ ৰৈ গ'ল পুছু। পুছুক কোনেও মোৰ পৰা আঁতৰ নকৰিলেই হ'ল। পুছু... সেই বগা বগা নোমেৰে দেহৰ ভিতৰখন কোমল তুলাৰে ভৰি থকা মোৰ অকমানি টেডিটো। ভাৰাঘৰত অকলে থাকিবলৈ ভয় কৰিম বুলি মায়ে মোক এইটোৰ লগতে ৰাতি শুবলৈ দিছে। কাৰণ মাৰ মতে মই এতিয়াও মাইনা। সকলো কথা বুজি পৰা হোৱা নাই। দেউতাৰ অকাল বিয়োগৰ পাছত মায়েই মোক অশেষ কষ্ট কৰি ডাঙৰ-দীঘল কৰি আজি এইখিনি পৰ্য্যায় পোৱাইছে। সৰু গেলামালৰ দোকানখন চলাই মোক আজি যোৰহাট মহাবিদ্যালয়ত পঢ়ুৱাইছে। সেয়া কেৱল মাৰ বাহিৰে আন কোনেও নাজানে।

কথাবোৰ ভাবি থাকোঁতেই হঠাৎ আৰু এজাক ডাঙৰ বৰষুণ আহিল। মেঘে গাজনি মাৰিলে। ক'লা মেঘে আকাশখন ছানি ধৰিলে। এনেতে শুনিলোঁ— ভাৰাঘৰৰ মালিকনীয়ে কাৰোবাক বকি আছে।

: এইসোপা কাপোৰ মানে ইয়াতহে মেলিবলৈ সুবিধা পায়। আগতেও কৈছোঁ কাপোৰ মেলিলে ওপৰত থকা তাঁৰকেইডালত মেলিবা। নাই... মোৰ কথা শুনে ক'ত?

ভালকৈ শুনিবলৈ যত্ন কৰোঁতে মই বুজি পালোঁ যে মালিকনীয়ে মোকেই বকি আছে। ওপৰত থকা তাঁৰডাল অলপ ছিগা বাবে তাত গধুৰ কাপোৰ মেলিব নোৱাৰি। গতিকে ফুটফুটীয়া বিছনা চাদৰখন মই তলতে মেলি দিছিলোঁ। পাছত আনিম বুলি ভাবিছিলোঁ। তলখন বৰ পিছল। এবাৰ যে মালিকনীহঁতৰ কাম কৰা ছোৱালীজনী কি নাম আছিল জানো তাইৰ... মাণিকী নে কিবা তেনেকুৱা আছিল। এবাৰ ধাৰাষাৰ বৰষুণ দিয়াত তাই মেলি দিয়া কাপোৰবোৰ আনিবলৈ তললৈ যাওঁতে পিছৰ শেলুৱৈয়ে আবৰি ধৰা চোতালখনতে যে পিছল খাই পৰি গৈছিল। হাঃ হাঃ। তাইক দেখি মোৰ হাঁহিয়েই উঠি গৈছিল। জানো হাঁহিব নালাগিছিল, কিন্তু কিয়বা উঠি গ'ল ঘপক্‌কৈ।

গিৰ্ গিৰ্ গিৰ্ গিৰ...

হঠাৎ চিক্‌মিক্‌কৈ এবাৰ প্ৰচণ্ড বিজুলী মাৰিলে। নাই নাই, কাপোৰখিনি তলৰ পৰা লৈ আহিবই লাগিব। এইবুলি ভাবি মই মায়ে দিয়া দুহতীয়াখন মূৰত লৈ বাহিৰলৈ ওলালোঁ। প্ৰচণ্ড বৰষুণ। ধুমুহাই সৌ

পাহাৰখনত ৰাজত্ব কৰিছে। হয়তো ইয়ালৈও আহিব। খট্‌খটিকেইটা সাৱধানেই পাৰ হ'ব খুজিলোঁ।

ধম্।

: আস্ আস্ মা।

মোৰ চিঞৰ শুনি মালিকনী ওলাই আহিল।



ইস্ ৰাম মাইনা কেনেকৈ পৰিলা?

চাওঁ চাওঁ উঠাচোন, এইবুলি তেওঁ মোক উঠাই দিলে আৰু লাহে লাহে ধৰি আনি চকীখনতে বহুৱাই দিলে।

: কেনেকৈ পৰিলা, মাইনা? মালিকনীয়ে দুখ পোৱা ঠাইখিনি ফুৰাই ফুৰাই সুধিলে।

: এইখিনিতে কাপোৰকেইখন আনিবলৈ যাওঁতে।

: এইখিনি ঠাই পিছল বুলিচোন জানাই। তেন্তে কিয় আহিছিলা?

: নহয় খুৰীদেউ, আপোনালোকৰ অসুবিধা হ'ব পাৰে বুলি।

: হ'লেও তুমি বৰষুণ শাম কটাৰ পাছতো নিব পাৰিলাহেঁতেন। এই বৰষুণ দি থকা সময়তে আহিছা যে? ৰ'বা ৰ'বা, মই ভ'লিনিটো লৈ আহোঁ।

এইবুলি মালিকনীয়ে ভ'লিনিটো আনিবলৈ ভিতৰলৈ সোমাই গ'ল।

ভ'লিনিটো হাতত লৰাই লৰাই তেওঁ মই দুখ পোৱা ঠাইখিনিত স্প্ৰে কৰি দিলে।

: মাইনা, অলপ আৰাম লাগিছেনে এতিয়া?

: হুম্।

: তেন্তে ঘৰলৈ গৈ জিৰণি লোৱাগৈ যোৱা। বিছনা চাদৰখন মাণিকীয়ে দি আহিব। আৰু শুনা, বৰষুণ দি থাকিলে তললৈ নাহিবাই, হ'বনে?

: হ'ব, খুৰীদেউ। এইবুলি মই মাণিকীৰ কান্ধত ধৰি খোজ ল'লোঁ।

বেচেৰী মাণিকীয়ে মোক বিছনাখনত বহুৱাই থৈ গৰমপানী কৰি ভৰিখন সেকি দিহে ঘৰলৈ গ'ল। মাণিকীৰ ঠাইত যদি আজি মোৰ মা থাকিলহেঁতেন? মায়ে চাগে' মোক তললৈ যাবলৈয়ে নিদিলেহেঁতেন। মায়ে হয়তো ক'লেহেঁতেন, মাইনা তই এই বাৰিষাৰ বতৰত বাহিৰলৈ যাব নালাগে। এনেও তই অলপ দুৰ্বল। ক'ৰবাত পৰি যাবি, পাছত ভৰি বা হাত ভাগিব আকৌ এখন হাঁহাকাৰ হ'ব। কাপোৰখিনি ময়েই লৈ আহিম দে। খুব মনত পৰিছে মোৰ মালৈ। কেনে বা আছে মোৰ আজলী মাজনী। ফ'নৰ নেটৱৰ্কো নাই। ইফালে মোৰ চকুপানীৰে টেডিটোৰ বুকুখন ভিজি গ'ল। টেডিটোকে বুকুত সাবটি ধৰিলোঁ।

: এই... পুছু... জান মোৰ আজি মাক লগ পাবলৈ খুব মন গৈছে। মই সৰু থাকোঁতে মায়ে যে মোক তোমাৰ লগত বাৰাণ্ডাত বহুৱাই থৈ দিয়ে। সৌ সেইদিনা মাকৰ বুকুৰ মাজত শুই থকা আসৃতিজনীয়ে আজি ইমান...। কি ক'ম আৰু... মোৰ আকৌ মন গৈছে সেই মাইনা মাইনা আসৃতিজনী হ'বলৈ, মাৰ বুকুৰ উম লৈ শুবলৈ। মাৰ হাতেৰে কণী-আলুপিটিকা খাবলৈ। কাৰণ মোৰ মা মোৰ বাবে এডাল ডাঙৰ বৃক্ষ। যাৰ ছাঁত বৈ মই টোপনি যাব পাৰোঁ। এই পুছু...।

গিৰ্ গিৰ্...।

আকৌ এবাৰ ডাঙৰকৈ গাজনি মাৰিছে। মা বুলি ভাবি পুছুকে সাবটি ধৰি মই আকৌ পুছুৰ গাৰ উমত জিৰণি ল'লোঁ। যিকেইটা দিন মই যোৰহাটত আছোঁ সেইকেইটা দিন পুছুৱেই মোৰ মা, মোৰ দেউতা। তেনেতে দূৰত শুনা গ'ল সেইটো গীতৰ কলি যিটো গীত মায়ে মোক প্ৰায়ে শুনাইছিল—

তুঝছে নাৰাজ নহী জিন্দগী
হেৰান হু মে
অ' হেৰান হু মে... ❖

# পঢুৱৈৰ টোকা

**গ্ৰন্থৰ নাম : শান্ত হ'ল পশ্চিম সীমান্ত** **লেখক : এৰিক মাৰিয়া ৰিমাৰ্ক**

**অনুবাদ : অঞ্জলি চক্ৰৱৰ্তী** **প্ৰকাশক: শৰাইঘাট প্ৰকাশন**

'সৃষ্টি কৰাৰ ক্ষমতা নাথাকিলে ধ্বংস কৰাৰো অধিকাৰ নাই।'—এয়াই শিৰোনামত উল্লেখ কৰা পুথিখনৰ মূল বক্তব্য।

'শান্ত হ'ল পশ্চিম সীমান্ত' নামৰ পুথিখন হৈছে লেখকে তেওঁৰ সৈনিক জীৱনত প্ৰত্যক্ষ কৰা যুদ্ধই বিধ্বস্ত কৰা এটা প্ৰজন্ম সম্পৰ্কীয়। গ্ৰন্থখনে মোক জীৱনত কেতিয়াও ভাবি নোচোৱা কিছুমান কথা ভাবিবলৈ বাধ্য কৰালে। যুদ্ধ বাৰু কিয় লাগে? ইয়াৰ দ্বাৰা কাৰোবাৰ কেনেবাকৈ লাভ হয় নেকি? যদি হয়, কেনেকৈ হয়? যুদ্ধ নকৰিলে নহ'বইনে? সকলোৰে দৃষ্টিত যুদ্ধ একেই হয় জানো?...আদি অলেখ প্ৰশ্নৰ উদয় হ'ল, সৌভাগ্যক্ৰমে গ্ৰন্থখনে মোক সকলো উত্তৰ পোৱাত অৰিহণা যোগালে।

সাধাৰণতে যুদ্ধ লাগে দুটা পক্ষৰ মাজত হোৱা ভুল বুজাবুজিৰ বাবে বা বুজাবুজিৰ অভাৱৰ ফলত। ইয়াৰ দ্বাৰা অৱশ্যে এটা পক্ষ লাভান্বিত হয়, তেওঁলোক হ'ল ক্ষমতাশালী সুবিধাবাদীসকল।

প্ৰকৃতাৰ্থত আমি যাক লৈ গৌৰৱ কৰোঁ সেয়াই আমাৰ ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰৰে সুৰক্ষাত দিন-ৰাতি একাকাৰ কৰা সৈন্যসকল শ্বহীদ হ'লেহে আমাৰ প্ৰাণভৰা সহানুভূতি জাগি উঠে, তাৰ আগলৈকে আমি কেৱল এটা কথাই ভাবোঁ, "এয়া তেওঁলোকৰ কৰ্তব্য।" আমি সাধাৰণ জনসাধাৰণ। আমাৰ মাজৰ পৰাই সুবিধাবাদীৰো উদ্ভৱ হয় আৰু কৰ্তব্যপৰায়ণ সৈন্যও।

যুদ্ধৰ সময়ত কেৱল খবৰ কাকতত ওলায় ৰাজনীতিকৰ উদাত্ত কণ্ঠৰ ভাষণৰ প্ৰতিলিপি, সৈন্যৰ অৱস্থা নোলায়। দুইপক্ষৰ সুবিধাবাদীৰ মাজৰ কিছু মতানৈক্যৰ বাবেই মৰিব লাগে হাজাৰ লোক, যুদ্ধ কেতিয়াও সমস্যাৰ সমাধান হ'ব নোৱাৰে, মাথোঁ হ'ব পাৰে কৰ্তব্যত জাগ্ৰত সৈন্য আৰু সাধাৰণ জনতাৰ প্ৰাণ নাশ হোৱাৰ কাৰক।

এখন যুদ্ধ চলি থকাৰ সময়ত তাত সৃষ্টি হোৱা বিধ্বস্ত পৰিবেশ প্ৰত্যক্ষ কৰিবলৈ যুদ্ধ সৃষ্টিকাৰী মহান সেৱকসকল নাথাকে। থাকে কেৱল দেশৰ অতন্দ্ৰ প্ৰহৰী সৈন্যবোৰ, যাৰ কোনো ভৱিষ্যৎ নাথাকে, থাকে কৰ্তব্য।

এখন ৰণভূমিত কি কি ঘটিব পাৰে সেয়া কল্পনাৰো অগোচৰ। বৰ্তমান এই একবিংশ শতিকাতো আনকি যুদ্ধ লাগিয়ে আছে—ৰাছিয়া-ইউক্ৰেইন, পেলেষ্টাইন-ইজৰাইল আৰু শীতল যুদ্ধবোৰ। এই গ্ৰন্থখনৰ কাহিনী প্ৰথম মহাসমৰৰ আধাৰত লিখিত। গ্ৰন্থৰ লেখক ৰিমাৰ্ক আছিল জাৰ্মান নাগৰিক, কিন্তু গ্ৰন্থখন কোনো দেশৰে পক্ষপাতিত্ব কৰি লিখা হোৱা নাই। গ্ৰন্থখনৰ শেষৰ কেইটামান বাক্যৰ বাহিৰে গোটেইখিনি প্ৰথম পুৰুষতে বৰ্ণিত, যদিওবা তেওঁ এইখনক আত্মজীৱনীমূলক গ্ৰন্থ বুলিব নোখোজে। ১৯৩৩ চনত নাজীবাহিনী ক্ষমতালৈ আহি জাৰ্মান সেনাক লঘু কৰি দেখুওৱাৰ অপৰাধত ৰিমাৰ্কৰ The Road Back আৰু All Quiet on the Western Front নামৰ গ্ৰন্থ দুখন নিষিদ্ধ কৰে আৰু লেখকৰ নাগৰিকত্বও কাঢ়ি লয়। পাছলৈ তেওঁ আমেৰিকাৰ নাগৰিকত্ব গ্ৰহণ কৰে।

প্ৰথম মহাযুদ্ধত জাৰ্মান বাহিনী আৰু ফৰাচী বাহিনীৰ মাজৰ যুদ্ধত জাৰ্মানীৰে জয় নিশ্চিত আছিল যদিও বৃটিছৰ আগমনত জাৰ্মান বাহিনী ধৰাশায়ী হৈছিল। সমগ্ৰ যুদ্ধক্ষেত্ৰ নিটাল-নিস্তব্ধ হোৱাৰ পাছত সেনাই প্ৰেৰণ কৰা বাৰ্তাত মাত্ৰ এযাৰি বাক্যই স্থান পাইছিল : "পশ্চিম ৰণক্ষেত্ৰৰ পৰা পঠিয়াবলৈ নতুন খবৰ একো নাই।" এৰিক মাৰিয়া ৰিমাৰ্কে তাৰ আধাৰতে লিখা এই 'All Quiet on the Western Front'ৰে অসমীয়া অনুবাদ হ'ল 'শান্ত হ'ল পশ্চিম সীমান্ত'।

**জাগৃতি বৰুৱা**

অষ্টম শ্ৰেণী

# সাহসৰ প্ৰমাণ

**শ্বাছমীন জেছীনা আলিম**
পঞ্চম শ্ৰেণী



এখন গাঁৱত তিনিজন বন্ধু আছিল। সিহঁতৰ নাম আছিল দীনেশ, পৰেশ আৰু দীপক। দীপকে নিজকে সদায় সাহসী বুলি কয়। আনফালে দীনেশ আৰু পৰেশ আছিল বৰ ভয়াতুৰ।

এদিন সিহঁতে ঠিক কৰিলে যে সিহঁত আটাইকেইটা গাঁৱৰ কাষত থকা হাবিখনত ফুৰিবলৈ যাব।

দীপক : তহঁতে হ'লে মোৰ লগতে থাকিবি দেই। নহ'লে ডাইনী বুঢ়ীয়ে তহঁতক লৈ যাব। এই বুলি কৈ দীপকে ডাঙৰকৈ হাঁহি দিলে।

পৰেশ : আমি ভয় খাওঁ বুলি তই আমাক জোকাই থাকিবি নেকি?

দীনেশ : হয় পৰেশ, সঁচা কথাই কৈছ, কিন্তু দীপক যে সাহসী তাৰ প্ৰমাণ কি?

দীপক : ঠিক আছে, কাইলৈ আমি তিনিজনে হাবিৰ কাষৰ সেই জুপুৰিটোৰ পৰা এপাক ঘূৰি আহিম।

—ঠিক আছে হ'ব। আজি ঘৰলৈ যাওঁ। গধূলি হ'বই আৰু।

পাছদিনা দীপক আৰু দীনেশ নিৰ্দিষ্ট ঠাইত ৰৈ থাকিল। কিন্তু পৰেশৰ খবৰেই নাই। এনেতে পৰেশ আহি পালে।

দীপক : তই ইমান দেৰি কৰিছ? আমি উভতি যাবই বিচাৰিছিলোঁ।

পৰেশ : মই আহিবলৈ ধৰোঁতেই দেউতাই ক'লে, "গৰুটো পথাৰৰ পৰা আন। গৰু আনিবলৈ গৈ দেখোঁ, গৰুটোৱে ৰমেন দাদাহঁতৰ বাৰীত লাওগছ খাবলৈ ধৰিছে। তাক আনি গোহালিত বান্ধি থওঁতে কালিৰ চৰ্তৰ কথা মনত পৰিল। আকৌ গা নোধোৱাকৈ মায়ে আহিবলৈ নিদিলে। সেইবাবে দেৰি হ'ল।"

দীনেশ : এতিয়া কথা পাতি থাকোঁতেই গধূলি হ'ব। ব'ল সোনকালে যাওঁ।

তিনিওটা গৈ জুপুৰিটোৰ ওচৰ পালে। দীপকে গৈ জুপুৰিটোৰ দৰ্জাখন খোলাৰ পাছতেই কেইটামান বাদুলি ওলাই অহা দেখি পৰেশ মাটিতে বাগৰি পৰিল।

দীনেশ : হাঃ হাঃ হাঃ, তই বাদুলি দেখিয়েই পৰি গ'লিনে?

পৰেশ : মোক মায়ে কৈছিল যে বাদুলি মূৰৰ ওপৰেদি উৰি গ'লে মাটিত বহি দিব লাগে। তাকে কৰিবলৈ গৈ পৰি গ'লোঁ।

দীপকে "তহঁত ভিতৰলৈ যাবিনে?" বুলি কৈ ভিতৰলৈ গৈ ক'লে—"হাঃ এইবোৰ কি?"

পৰেশ : এইবোৰচোন মানুহ আৰু জন্তুৰ হাড়। মানে ইয়াত সঁচাই ভূত থাকে। এইবুলি দৌৰ মাৰিব খুজিলে। তেতিয়া দীপকে ক'লে—

দীপক : "ৰচোন নাযাবি। এইবোৰ আচল হাড় নহয়।"

পৰেশ : কি? মানে এইবোৰ মিছা হাড়?

দীপক : হয়।

দীনেশ ঃ এইবোৰ মানে কাৰোবাৰ বদমাছি।

দীপক : নহয় দীনেশ, এনেকুৱা বস্তু চোৰ বা ডকাইতৰ আড্ডাতহে পোৱা যায়।

পৰেশ : মানে ইয়াত কিবা মূল্যবান বস্তু আছে।

দীপক : তই ঠিকেই ভাবিছ।

তিনিও গৈ ভিতৰৰ কোঠা এটাত দেখিলে যে তাত বহুত হীৰা, মুকুতা, সোণ, ৰূপ আদি আছে। সিহঁতে সেই বস্তুবোৰ গাঁওবুঢ়াক দি দিলে আৰু দীপক যে সাহসী তাৰ প্ৰমাণ হ'ল। ❖

# আলাবৈ ৰণ, শৰাইঘাটৰ যুদ্ধ আৰু লাচিত বৰফুকন

**ময়ংক পাঠক**
অষ্টম শ্ৰেণী

অসম মাতৃৰ বুকুত জন্মগ্ৰহণ কৰা যিকেইজন ইতিহাসপ্ৰসিদ্ধ মহাযোদ্ধা আছে, তেনে এজন সেনানায়কৰ কথাই এই লিখনিত শ্ৰদ্ধা আৰু গৌৰৱেৰে সুৱৰিছোঁ। তেওঁ হ'ল মোমাই তামুলী বৰবৰুৱাৰ সুযোগ্য কনিষ্ঠ সন্তান, বীৰ লাচিত বৰফুকন।

লাচিত বৰফুকনৰ জন্ম হৈছিল ১৬২২ চনৰ ২৪ নৱেম্বৰত। লাচিত শিশুকালৰ পৰাই কৰ্তব্যপৰায়ণ, নেতৃত্ব দিব পৰা আৰু সাহসী আছিল। ৰাজনীতিত থকা দেউতাক মোমাই তামুলী বৰবৰুৱাৰ চ'ৰাখনেই হৈ পৰিছিল লাচিতৰ প্ৰাৰম্ভিক শিক্ষাৰ থলী। বৰবৰুৱাই নিজ পুত্ৰ-কন্যাক ঘৰতে শিক্ষক নিয়োগ কৰি বুৰঞ্জী, অৰ্থনীতি আৰু বিচাৰনীতিৰ শিক্ষা দিছিল। ৰাজকীয় পৰিয়ালত জন্মগ্ৰহণ কৰা বাবেই লাচিতে সামৰিক আৰু অসামৰিক দুয়োবিধ শিক্ষাই ল'বলগীয়া হৈছিল। অতি কম বয়সতে লাচিতে অতি সাধাৰণ কাম এটাত নিয়োজিত হৈছিল। লাচিতে প্ৰথমতে ডাঙৰীয়া-মন্ত্ৰীৰ 'হাঁচতি ধৰা তামুলী' পদবী পাইছিল। ৰাজকীয় কৰ্তব্যৰ ক্ষেত্ৰত সময়ে সময়ে লাচিতে ডাঙৰীয়া-মন্ত্ৰীৰ ৰাজচ'ৰালৈ আহ-যোৱা কৰোঁতে বহুতো গুৰুত্বপূৰ্ণ কথা শুনিবলৈ পাইছিল। এইদৰে লাভ কৰা জ্ঞান আৰু অভিজ্ঞতাই লাচিতক বহু কাৰ্য্যত পাৰ্গত কৰি তুলিছিল। মোমাই তামুলী বৰবৰুৱা আহোম ৰাজ্যৰ প্ৰথমজন বৰবৰুৱা আছিল। আহোম ৰাজত্বকালত সেই সময়ৰ পৰিস্থিতি সাপেক্ষে ৰাজ্যৰ প্ৰজাসকলৰ মাজত মোমাই তামুলী বৰবৰুৱাই এক বিশেষ ধৰণৰ কৰ্ম সংস্কৃতিৰ সৃষ্টি কৰিছিল। সেই বৰবৰুৱাৰ পুত্ৰ লাচিতেও নিজৰ কৰ্মদক্ষতা, ব্যক্তিত্বৰ যোগেদিহে বৰফুকন পদবী পাইছিল। ৰাজমন্ত্ৰীৰ 'হাঁচতি ধৰা তামুলী'ৰ পাছতেই লাচিতে ঘোঁৰাবৰুৱাৰ পদত নিযুক্তি লাভ কৰিছিল। উন্নতিৰ জখলাত বগাই বগাই লাচিতে ক্ৰমান্বয়ে 'দুলীয়া



বৰুৱা', 'শিমলুগুৰীয়া ফুকন', আৰু 'দোলাকাষৰীয়া বৰুৱা' পদবী লাভ কৰি এটা সময়ত তেওঁ লাভ কৰিছিল 'বৰফুকন' পদবী।

স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্বকালত মোগল সম্ৰাট ঔৰংজেৱৰ বাহিনীয়ে মিৰজুমলাৰ নেতৃত্বত আহোম ৰাজ্য আক্ৰমণ কৰিছিল। পৰৱৰ্তী সময়ত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই পৰাধীনতাৰ কবলৰ পৰা দেশ উদ্ধাৰ কৰিবলৈ সামৰিক প্ৰস্তুতি চলাইছিল। সেই উদ্দেশ্য আগত ৰাখি দেশৰ বৰমূৰীয়াসকলৰ লগত মিলিত হৈ আলোচনা কৰিলে যে সেনাবাহিনীক নেতৃত্ব দিবলৈ এজন অতি দূৰদৰ্শী মুখ্য সেনাপতিৰ প্ৰয়োজন যি ৰণনীতিৰ লগতে কূটনীতিতো পাৰ্গত। স্বৰ্গদেউৰ চেষ্টাত বিচৰা ধৰণে এজন সেনাপতি বিচাৰি পোৱা গ'ল আৰু তেৱেঁই হ'ল 'বীৰ লাচিত বৰফুকন'। স্বৰ্গদেৱে লাচিতৰ যোগ্যতা আৰু বিচক্ষণতাৰ কেইবাটাও পৰীক্ষা লৈছিল। অৱশ্যেই লাচিতে এই পৰীক্ষাত নিজৰ যোগ্যতাৰ পৰিচয় দিব পাৰিছিল।

১৬৬৭ চনত আহোম সেনাৰ মুখ্য সেনাধ্যক্ষ হিচাপে 'লাচিত বৰফুকন'ক নিয়োগ কৰিলে। নিযুক্তি লাভ কৰিয়েই বৰফুকনে দেশৰ বছা বছা সেনা আৰু সমৰ বিশেষজ্ঞৰে গঠিত এক বিশাল বাহিনী লৈ

ব্ৰহ্মপুত্ৰৰ ওচৰে-পাঁজৰে থকা মোগলৰ অতিৰিক্ত সেনা ছাউনীসমূহ ধ্বংস কৰিবলৈ অগ্ৰসৰ হৈছিল। মোগলৰ দুৰ্জয় অভিযান অধিক দক্ষতাৰে প্ৰতিৰোধ কৰিবৰ বাবে একে ৰাতিৰ ভিতৰতে শৰাইঘাট কোঠৰ চাৰিওফালে এক গড় নিৰ্মাণ কৰাৰ গুৰুদায়িত্ব অৰ্পণ কৰে নিজৰ মোমায়েকৰ হাতত। কিন্তু নিৰ্দিষ্ট সময়ৰ ভিতৰত গড়ৰ কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত হেমাহি কৰাত লাচিতে খঙত নিজৰ খাপৰ পৰা তৰোৱাল উলিয়াই 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি থিতাতে মোমায়েকক শিৰচ্ছেদ কৰে। লাচিতৰ এনে কাৰ্য্যত বনুৱাসকলে ভয়ত নিশাটোৰ ভিতৰতে গড়ৰ কাম সম্পূৰ্ণ কৰিলে। মোমাইকটা গড়ে আজিও সোঁৱৰায় আহোমৰ প্ৰধান সেনাপতি লাচিতৰ কৰ্তব্য পৰায়ণতা আৰু বীৰত্বৰ কাহিনী। লাচিতৰ বাবে আৰু এটা গুৰুত্বপূৰ্ণ কথা আছিল সময়ৰ সদ্ব্যৱহাৰ কৰিব জনাটো। মাতৃভূমিক শত্ৰুপক্ষৰ পৰা ৰক্ষাৰ সন্মুখত কোনোৰে ডাঙৰ হ'ব নোৱাৰে, তাৰ এক মহান নিদৰ্শন দেখুৱালে লাচিতে।

সাহস, দেশভক্তি আৰু আত্মবলিদানৰ অনুপম নিদৰ্শন 'আলাবৈ ৰণ'। ১৬৬৯ চনত সংঘটিত হোৱা বিখ্যাত আলাবৈ ৰণ আৰু ১৬৭১ চনত হোৱা শৰাইঘাট যুদ্ধই বুৰঞ্জীত অসমীয়া যুঁজাৰুৰ মানসিকতা অধিক প্ৰকট কৰি তুলিছিল। আলাবৈ ৰণ হৈছে অসমীয়া জাতিৰ স্বদেশ প্ৰেমৰ অপূৰ্ব প্ৰকাশ। এই যুদ্ধত মোগলসকলৰ নেতৃত্ব দিছিল মদনাৱতী নামৰ এগৰাকী ৰাজপুত নাৰীয়ে। প্ৰথম অৱস্থাত মোগল সৈন্যই আহোমক পৰাস্ত কৰিবলৈ সক্ষম হৈছিল যদিও আহোম সেনাই পাছত বুদ্ধিৰে পূৰ্বে খান্দি থোৱা খাবৈত পেলাই মদনাৱতীক হত্যা কৰে। আলাবৈ ৰণত মাত্ৰ এদিনৰ যুদ্ধতে মোগল সৈন্যই দহ হাজাৰ অসমীয়া সৈন্যক হত্যা কৰে। আলাবৈত ঘটা এই বিপৰ্য্যয়ে লাচিত বৰফুকনক বিচলিত কৰিলে। তেওঁ অতি দুখেৰে ক'লে, "আমাৰ একোটা সৈন্য একোটা হাতী, আজি তেনেকুৱা দহ হাজাৰ সৈন্য একেদিনাখনেই মই হেৰুৱালোঁ।" লাচিতৰ দুখ সহ্য কৰিব নোৱাৰি আতন বুঢ়াগোহাঁয়ে তেওঁক সান্ত্বনা দিছিল—"অৱশেষত আমাৰেই ৰণ জয় হ'ব, গতিকে মন বেয়া কৰিব নালাগে, বাৰীৰ ভিতৰত পুখুৰী সিঁচোতেও আঠোটা-দহোটা মানুহক শিঙি মাছে বিন্ধে। এইখন ৰণহে, গতিকে দুই-চাৰিজন লোক কিয় নমৰিব?" আলাবৈ ৰণৰ পৰা আহোম সৈন্যৰ ক্ষতি হ'লেও, মোগলসকলে তাৰ পৰা একো সুবিধা লাভ কৰা নাছিল। আলাবৈ যুদ্ধৰ দ্বাৰাই অসমীয়া সেনাই মোগলৰ সমৰ শক্তিৰ উমান পাইছিল, যাৰ ফলত অসমীয়া সেনাই নতুন ৰণনীতি, অভিনৱ কৌশল গ্ৰহণ কৰিছিল। আমি জানো যে, বুৰঞ্জীপ্ৰসিদ্ধ আলাবৈ ৰণ অসম আৰু অসমবাসীৰ বাবে হৃদয় বিদাৰক ঘটনা। আলাবৈ ৰণত অসমীয়াৰ বিপৰ্য্যয়ৰ প্ৰধান কাৰণ আছিল পৰিকল্পনা তথা প্ৰস্তুতিৰ অভাৱ। ইয়াৰ মূলতেই আছিল স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ভুল নিৰ্দেশ। ইয়াত লাচিতৰ কোনো দোষ নাছিল। সেয়েহে আলাবৈ যুদ্ধখন অসমৰ ইতিহাসৰ পাতত এক ক'লা অধ্যায়ৰূপে চিহ্নিত হৈ ৰ'ল।

১৬৭১ চনত শৰাইঘাটৰ যুদ্ধত নৰিয়া শৰীৰেৰে যুদ্ধ কৰা এইজনা অসম সন্তানৰ অসীম বীৰত্বৰ সন্মুখত মোগল সেনাপতি ৰাম সিংহৰ বিশাল সৈন্যবাহিনী টিকি থাকিব নোৱাৰি ফৰিং ছিটিকা দিছিল। এই যুদ্ধৰ সফলতাই লাচিত বৰফুকনক ৰাষ্ট্ৰীয় বীৰৰ মৰ্য্যাদা প্ৰদান কৰিছিল।

এই যুদ্ধত অসমীয়া সেনাৰ বিজয়বাৰ্তা উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলৰ ফলিত লিপিবদ্ধ হৈ আছে। শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাৰ হৃদয়ত কেৱল শোক নহয়, প্ৰতিশোধৰ জুই জ্বলি উঠিছিল। এই যুদ্ধত মোগলৰ তেজেৰে লুইতৰ বুকুত আহুতি দি অসমীয়াই আলাবৈৰ ক্ষতি সম্পূৰ্ণৰূপে পূৰ্ণ কৰিছিল। আলাবৈ ৰণত অসমীয়াৰ পৰাজয় নহয়, সেয়া আছিল জননীস্বৰূপ মাতৃভূমিৰ প্ৰতি সন্তানৰ প্ৰেম তথা দায়িত্ববোধ আৰু মহাত্যাগৰ নিদৰ্শন।

শৰাইঘাটৰ বিশাল জয়লাভৰ প্ৰায় এবছৰৰ পাছত ১৬৭২ চনৰ এপ্ৰিল মাহত মহাবীৰ লাচিত বৰফুকনৰ মৃত্যু হয়। এনেহেন এজন বিখ্যাত সেনাপতি জাতীয় বীৰক সন্মান জনাই প্ৰতি বছৰৰ নৱেম্বৰ মাহৰ ২৪ তাৰিখে সমগ্ৰ অসমতে 'লাচিত দিৱস' পালন কৰা হয়। ❖

# পখিলা

**নম্ৰতা কাশ্যপ**
পঞ্চম শ্ৰেণী

পখিলা পখিলা
অ' পখিলা
ফুলত পৰি তুমি কিয় ভালপোৱা?
ফুলে ফুলে তুমি
মৌ লৈ যোৱা
নিজৰ নিজৰ বাহত গৈ
মিলিজুলি খোৱা। ❖





# আইতা

**পাৰ্থ প্ৰতিম সাহা**
ষষ্ঠ শ্ৰেণী

আমাৰ এজনী আইতা আছে,
চুলিবোৰ পকা।
এনে আইতা বিচাৰি নাপায়,
হাজাৰ দিলেও টকা।
হাঁহিলে আইতাক ধুনীয়া দেখি,
দাঁত এটাও নাই।
খোজ কাঢ়ে থৰক্-বৰক্
উজুটি খাবৰ ভয়। ❖

# বৰষুণ

**কবীৰ হুছেইন**
ষষ্ঠ শ্ৰেণী

টিপ্ টিপ্ কৰি
সৰে যেন মুকুতাৰ মণি
তাতে নাচি ফুৰে
সৰগৰ পৰী।
............................
আমি হৈছোঁ কণমানি
নিজকে যাওঁ পাহৰি
বৰষুণ আহিলে
যাওঁ দৌৰ মাৰি। ❖



# মা

**মৃন্ময় শৰ্মা**
একাদশ শ্ৰেণী

মোৰ সুখ তুমি
মোৰ সপোন তুমি
হাঁহিৰ কাৰণ তুমি
কথাৰ সাগৰ তুমি
তোমাৰ বাবেই পাইছোঁ
সুখৰ সংজ্ঞা বিচাৰি।
তোমাৰ বাবেই দেখিছোঁ
এই ধুনীয়া ধৰণী।
তুমিয়েই মোৰ মা,
তুমিয়েই শিকালা কথা ক'বলৈ
এটি দুটি কৰি
বিশ্বজয়ৰ সপোন দেখোঁ
তোমাৰ আঁচলত ধৰি। ❖

## কুইজ

১। এই পৰ্য্যন্ত বিশ্বকাপ ফুটবলৰ ইতিহাসত পাঁচখন বিশ্বকাপত গ'ল কৰাৰ কৃতিত্ব অৰ্জন কৰা একমাত্ৰ ফুটবলাৰজন কোন?

২। ১৯৮৭ চনত ড° ভূপেন হাজৰিকাৰ কণ্ঠত বাণীবদ্ধ হোৱা বিখ্যাত গীত 'মই লাচিতে কৈছোঁ'ৰ গীতিকাৰ আৰু সুৰকাৰ কোন?

৩। কোনজন ফুটবলাৰে কাটাৰ বিশ্বকাপত প্ৰথম ৰঙা কাৰ্ড পোৱাৰ গৰাকী হ'ল?

৪। চলিত বিশ্বকাপত জাপান আৰু জাৰ্মানীৰ মাজৰ গ্ৰুপ পৰ্য্যায়ৰ খেলৰ অন্তত জাপানৰ দৰ্শকে কি বিশেষ কামৰ দ্বাৰা বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰি নিদৰ্শন গঢ়িলে?

৫। কাটাৰ বিশ্বকাপৰ বাবে নিৰ্মিত '৯৭৪' নামৰ ষ্টেডিয়ামখনৰ বিশেষত্ব কি?

৬। কাটাৰ বিশ্বকাপ খেলি থকা ৩২টা দলৰ ভিতৰত মাত্ৰ চাৰিটা দলৰ বাহিৰে বাকী সকলো দলতে কমেও এজন বিদেশী মূলৰ খেলুৱৈ আছে। সেই দেশ চাৰিখন কি কি?

৭। কাটাৰ বিশ্বকাপৰ আটাইতকৈ কনিষ্ঠ খেলুৱৈজন কোন?

৮। ভাৰতৰ ৰাজধানী দিল্লীত কৰ্মৰত কোন চাৰিগৰাকী মাৰ্কিন মহিলা কূটনীতিবিদে অ'টো চলাই কাৰ্য্যালয়লৈ অহা বা আন কামত যোৱাৰ বাবে বিশেষভাৱে চৰ্চিত হৈছে?

৯। আমি সাধাৰণতে ব্যৱহাৰ কৰা কম্পিউটাৰৰ লগতে ইয়াৰ লগত জড়িত বিভিন্ন সামগ্ৰী উৎপাদনকাৰী কোম্পানী 'hp'ৰ সম্পূৰ্ণ অৰ্থ কি?

১০। ড° ভূপেন হাজৰিকা আন্তৰ্জাতিক সমন্বয় বঁটা-২০২২ কাক প্ৰদান কৰা হয়?

১১। বিশ্বকাপ ফুটবলৰ ইতিহাসত প্ৰথমটো গ'ল দিয়া খেলুৱৈগৰাকী কোন?

১২। হায়দৰাবাদৰ স্কাইৰুট এৰ'স্পেচ' নামৰ ব্যক্তিগত কোম্পানীটোৱে নিৰ্মাণ কৰা ৰকেটটো হ'ল ভাৰতৰ প্ৰথমটো ব্যক্তিগত ৰকেট। ৰকেটটোৰ নাম কি?

১৩। নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি মধ্য ইউৰোপৰ দেশ শ্লোভেনিয়াৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত মহিলাগৰাকী কোন?

১৪। ৯০৮ দিন মহাকাশত কটাই নৱেম্বৰৰ প্ৰথমভাগত পৃথিৱীলৈ ঘূৰি অহা আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানৱবিহীন বিমানখনৰ নাম কি?

১৫। কোনখন দেশে এতিয়ালৈ প্ৰতিখন বিশ্বকাপ ফুটবলৰ মূল প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰিছে?

১৬। কোন বৰ্ষত প্ৰথম ফিফা মহিলা বিশ্বকাপ ফুটবল অনুষ্ঠিত হৈছিল?

১৭। কেতিয়াৰ পৰা বিশ্বকাপ ফুটবল টেলিভিছনত সম্প্ৰচাৰিত হ'বলৈ আৰম্ভ কৰিছিল? ❖


**■ সংগ্ৰহ : হিৰণ্য কলিতা**

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (নৱেম্বৰ, ২০২২)

ধৃতিষ্মান শালৈ (সপ্তম ক), জীমণি গোস্বামী (ষষ্ঠ ঘ), সীমান্ত ডেকা (সপ্তম ক), স্বৰ্ণাভ প্ৰধানী (সপ্তম ক), গাৰ্গী তালুকদাৰ (ষষ্ঠ গ), নবোৎপল শৰ্মা (অষ্টম খ), উদ্দীপ্ত বৰ্মন, (সপ্তম ক), চিন্ময় তালুকদাৰ (সপ্তম ক), সৌৰভ কলিতা (সপ্তম ক), পলজিত ডেকা (ষষ্ঠ ক), শ্যামলীমা পাঠক (নৱম ক), ৰনভ কৃষ্ণ পাঠক (নৱম গ), হৃদীপ শৰ্মা বশিষ্ঠ (অষ্টম ক), পূৰ্বাঞ্চী দাস (চতুৰ্থ ঘ), ধীমানজ্যোতি বৰুৱা (নৱম গ), অনুভূতি শৰ্মা (অষ্টম খ), মৃন্ময় মজুমদাৰ (ষষ্ঠ ক), চম্পা চামেলি (দ্বাদশ শ্ৰেণী), বিবেক মহন্ত (সপ্তম ক), জ্ঞান কলিতা (ষষ্ঠ ক), কাকলি দেৱী (অষ্টম ক), দেৱপ্ৰতীম কলিতা (অষ্টম ঘ), হিমাংশু গগৈ (অষ্টম ঘ), জুলেখ কুমাৰ পাটোৱাৰী (নৱম ঘ), ধৃতিস্মান ডেকা (ষষ্ঠ খ), প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (চতুৰ্থ গ), বৰ্ণিল বেদাৰ্ক কলিতা (চতুৰ্থ গ), অভিজ্ঞান দীপক বৰগয়াৰী (চতুৰ্থ গ), অপেক্ষা গোস্বামী (ষষ্ঠ ঘ), হিমাশ্ৰী ডেকা (অষ্টম খ), নিতুস্মিতা কলিতা (ষষ্ঠ ঘ), জিজ্ঞাসা বৰুৱা (ষষ্ঠ ঘ), অনন্যা গোস্বামী (ষষ্ঠ ঘ), অংগাৰিকা শৰ্মা (ষষ্ঠ ঘ), মোঃ ৰেহান আলী (অষ্টম ঘ), ত্ৰিৱেণী শইকীয়া (সপ্তম ক), অহিৰণ অন্তৰীণ (পঞ্চম ঘ), পাৰ্ভিছ ৰহমান (পঞ্চম খ), দীপজ্যোতি দাস (সপ্তম ক), ভায়লীনা বৰা (ষষ্ঠ ঘ), হৰ্ষিতা মেধি (অষ্টম খ), কৃপালিনী চাংমা (নৱম ক)। ❖

# পদ্মনাথ গোহাঞিবৰুৱা

সুদীপ্তা চৌধুৰী



জোনাকী যুগৰ এগৰাকী লেখত ল'বলগীয়া সাহিত্যিক হৈছে পদ্মনাথ গোহাঞিবৰুৱা। অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ পাছতেই তেওঁৰ স্থান বুলি ক'ব পাৰি। তেওঁ সৰুৰে পৰা জীৱনৰ শেষ সময়লৈকে অসমীয়া সাহিত্যত নিজকে একান্তভাৱে আত্মনিয়োগ কৰিছিল। কবিতা, নাটক, উপন্যাস সকলো ক্ষেত্ৰতে তেওঁ অসমীয়া সাহিত্যক চহকী কৰি থৈ গৈছে।

গোহাঞিবৰুৱাৰ জন্ম হৈছিল ১৮৭১ চনৰ ২৫ নৱেম্বৰত উত্তৰ লখিমপুৰৰ নকাৰি গাঁৱত। এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ গোহাঞিবৰুৱাই উচ্চ শিক্ষাৰ্থে কলিকতালৈ যায়। কিন্তু কলিকতাত শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হোৱা হেতুকে তেওঁ কলিকতাৰ পৰা অসমলৈ ঘূৰি আহি বিভিন্ন জনহিতকৰ কামত হাত দিয়ে। তাৰ ফলস্বৰূপেই ১৮১৫ শকত 'আহোম সভা' প্ৰতিষ্ঠিত হয়, যিখন পাছলৈ 'আহোম এছ'চিয়েছন' নামেৰে জনাজাত হয়। পৰৱৰ্তী সময়ত তেওঁ নগা পৰ্বতৰ কহিমা গৱৰ্নমেণ্ট ইংৰাজী স্কুলৰ হেডমাষ্টৰ হিচাপে নিযুক্তি পায়। কহিমাৰ পৰা গোহাঞিবৰুৱাই তেজপুৰ নৰ্মাল স্কুলৰ প্ৰধান শিক্ষক হিচাপে আৰু পিছত যোৰহাটলৈ বদলি হয়।

১৮৮৯ চনত কলিকতালৈ অধ্যয়নৰ বাবে যোৱা চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে অসমীয়া ছাত্ৰসকলে লগ লাগি 'জোনাকী' নামৰ এখন কাকত উলিয়ায়। গোহাঞিবৰুৱাই 'জোনাকী'ৰ পাততে সাহিত্য চৰ্চা কৰিবলৈ আৰম্ভ কৰে। সেই সময়খিনিতে কৃষ্ণপ্ৰসাদ দুৱৰাৰ সম্পাদনাত 'বিজুলী' নামেৰে এখন মাহেকীয়া কাকত প্ৰকাশ হয়। অসমীয়া ভাষাৰ প্ৰথম প্ৰকাশিত উপন্যাস গোহাঞিবৰুৱাৰ 'ভানুমতী' এইখন কাকততে ছপা হৈ ওলাইছিল। পৰৱৰ্তী সময়ত ১৯০৬ চনত গোহাঞিবৰুৱায়ো ঊষা নামেৰে এখন মাহেকীয়া আলোচনী সম্পাদনা কৰি প্ৰকাশ কৰিছিল।

পদ্মনাথ গোহাঞিবৰুৱাৰ গদ্যশৈলী অতি মনোৰম। ঘটনাৱলীৰ বৰ্ণনাই পাঠকৰ মন আকৰ্ষিত কৰে। 'ভানুমতী' আৰু 'লাহৰী' ৰচনাৰ পাছত অসমীয়া সাহিত্যলৈ তেওঁৰ অনবদ্য অৱদান হ'ল— তেওঁৰ নাটকসমূহ। গাঁওবুঢ়া (১৮৯৭), জয়মতী (১৯০০), গদাধৰ (১৯০৭), টেটোন তামুলী (১৯০৯), সাধনী (১৯১০), লাচিত বৰফুকন (১৯১৫), ভূত নে ভ্ৰম (১৯২৪) আৰু বাণৰজা (১৯৩৩) হৈছে তেওঁৰ উল্লেখযোগ্য সৃষ্টি। ইয়াৰ উপৰি 'জুৰণি' তেওঁৰ কবি প্ৰতিভাৰ অন্যতম চানেকি। আদিশিক্ষা, নীতিশিক্ষা, সাহিত্য সংগ্ৰহ, জীৱনী সংগ্ৰহ, ভূগোল দৰ্পণ, অসমৰ বুৰঞ্জীবোধ আদি হৈছে ছাত্ৰসকলৰ উপযোগী ৰচনা। তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰ সোঁৱৰণী'ত সমসাময়িক সমাজ ব্যৱস্থাৰ বিষয়ে যথেষ্ট সমল পোৱা যায়। গোহাঞিবৰুৱা হৈছে 'অসম সাহিত্য সভা'ৰ প্ৰথমখন অধিবেশনৰ সভাপতি। ১৯০১ চনৰ পৰা ১৯০৮ চনলৈ তেওঁ তেজপুৰৰ বাণ থিয়েটাৰৰ সম্পাদকো আছিল।

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত পদ্মনাথ গোহাঞিবৰুৱাৰ অৱদান আছিল অপৰিসীম। তেওঁৰ প্ৰতিটো কামতে অসমীয়া জাতিৰ উন্নতি আৰু অসমীয়া ভাষাটোৰ সৰ্বাংগীণ উন্নতিৰ উদ্দেশ্য নিহিত হৈ আছিল। ❖

# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৮৮

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 7 | 1 | | 4 | | | | | 2 |
| 9 | | | | | 8 | 4 | | |
| | | | | 5 | 6 | 8 | | |
| | | 3 | 1 | | | | | 6 |
| | | 1 | | | 4 | 3 | | 8 |
| 2 | | | 3 | | | | | |
| | | 6 | | | | | | |
| | 5 | | 9 | | 7 | 2 | 6 | |
| | | | | | | 7 | | |

## চুড'কু ১৮৭

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | 7 | 9 | 8 | 5 | 3 | 4 | 2 | 1 |
| 8 | 5 | 3 | 2 | 1 | 4 | 7 | 9 | 6 |
| 4 | 2 | 1 | 9 | 7 | 6 | 5 | 3 | 8 |
| 9 | 8 | 7 | 3 | 6 | 2 | 1 | 5 | 4 |
| 2 | 3 | 6 | 1 | 4 | 5 | 8 | 7 | 9 |
| 5 | 1 | 4 | 7 | 9 | 8 | 3 | 6 | 2 |
| 7 | 4 | 8 | 5 | 2 | 9 | 6 | 1 | 3 |
| 3 | 9 | 5 | 6 | 8 | 1 | 2 | 4 | 7 |
| 1 | 6 | 2 | 4 | 3 | 7 | 9 | 8 | 5 |

### তোমালোকে জানানে?

## গ্ৰন্থমেলা পোনপ্ৰথমবাৰৰ বাবে কেতিয়া অনুষ্ঠিত হৈছিল?

মধ্যযুগৰ আৰম্ভণিৰ পৰা ইউৰোপৰ ঠায়ে ঠায়ে বিভিন্ন মেলাবোৰ অনুষ্ঠিত হৈছিল আৰু সেইবোৰ অতি জনপ্ৰিয় আছিল। এইবোৰৰ ভিতৰত অন্যতম আছিল জাৰ্মানীৰ লিপছিগ আৰু ফ্ৰাংকফুৰ্ট মেলা। ১৬২২ চনত এই ফ্ৰাংকফুৰ্ট মেলাতে পোনপ্ৰথমবাৰৰ বাবে সেই সময়ত প্ৰকাশিত ইংৰাজী গ্ৰন্থবিলাকৰ তালিকা বিতৰণ কৰা হৈছিল। ১৬২৭ চনত লিপছিগ মেলাতে গ্ৰন্থমেলাৰ আৰম্ভণি হয় যদিও ১৬২২ চনতে ফ্ৰাংকফুৰ্টত পূৰ্ণাংগ গ্ৰন্থমেলা অনুষ্ঠিত হোৱা বুলি কোৱা হয়। ইয়াতেই অৰ্থাৎ ফ্ৰাংকফুৰ্টতে ১৯৪৯ চনত আধুনিক গ্ৰন্থমেলাৰ আৰম্ভণি হয়।

১৯৬৯ চনত ভাৰতবৰ্ষত পোনপ্ৰথমখন গ্ৰন্থমেলা অনুষ্ঠিত হৈছিল মুম্বাইৰ ক্ৰছ ময়দানত। নেছনেল বুক ট্ৰাষ্টে (NBT) এই গ্ৰন্থমেলাৰ আয়োজন কৰিছিল। ১৯৭৪ চনত 'নেছনেল বুক ট্ৰাষ্ট'ৰ উদ্যোগত আৰম্ভ হয় দিল্লী আন্তৰ্জাতিক গ্ৰন্থমেলা। ১৯৭৫ চনৰ পৰা আৰম্ভ হোৱা কলকাতা গ্ৰন্থমেলাই ভাৰতৰ সবাতোকৈ বৃহৎ গ্ৰন্থমেলা। সত্তৰৰ দশকত কটন কলেজৰ ইউনিয়ন হলত (সম্ভৱতঃ নেছনেল বুক ট্ৰাষ্টৰ সৌজন্যত) এখন গ্ৰন্থমেলা হৈছিল যদিও অসম প্ৰকাশন পৰিষদ আৰু নেছনেল বুক ট্ৰাষ্টৰ যুটীয়া প্ৰচেষ্টাত ১৯৮৪ চনত প্ৰথমখন পূৰ্ণাংগ গ্ৰন্থমেলা অনুষ্ঠিত হৈছিল। ❖

*উৎস : মানবেন্দ্ৰ কুমাৰ বৰুৱাৰ 'কোন ক'ত কেতিয়া প্ৰথম'*

# কটন কেণ্ডী

■ হিমাশ্ৰী ডেকা

উৎসৱ-পাৰ্বণ, মেলা-পূজা আদিৰ এক অন্যতম আকৰ্ষণ হৈছে কটন কেণ্ডী। কটন কেণ্ডীৰ সোৱাদ আমি সকলোৱে পাইছোঁ। সমগ্ৰ বিশ্বতে কটন কেণ্ডী তৈয়াৰ কৰা আৰু বিক্ৰী কৰা হয়। ই সৰু ল'ৰা-ছোৱালীৰ খুবেই প্ৰিয়। লগতে ডাঙৰেও ইয়াৰ সোৱাদ ল'বলৈ পিছপৰি নাথাকে।



কটন কেণ্ডীৰ আৰম্ভণিৰ বিষয়টো লৈ বিভিন্নজনৰ বিভিন্ন মত দেখিবলৈ পোৱা যায়। এক সূত্ৰৰ মতে কটন কেণ্ডীৰ আৰম্ভণি ঊনৈছ শতিকাত হৈছিল। সেই সময়ত কটন কেণ্ডীক একপ্ৰকাৰৰ বহুমূল্য খাদ্য হিচাপে ধৰা হৈছিল। সেই সময়ৰ নিম্ন শ্ৰেণী তথা আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকে ইয়াক ক্ৰয় কৰিব পৰাটো তেনেই কঠিন আছিল। অন্য বহুতো সূত্ৰৰ মতে কটন কেণ্ডীৰ আৰম্ভণি পোন্ধৰশ শতিকাত হৈছিল। সেই সময়ত কটন কেণ্ডী তৈয়াৰ কৰিব পৰা মেচিনৰ আৱিষ্কাৰ হোৱা নাছিল। সেইবাবে সেই সময়ত ইয়াক তৈয়াৰ কৰিবলৈ উচ্চ তাপমাত্ৰাত চেনি উতলাই লৈ এক বিশেষ প্ৰকাৰৰ কটন কেণ্ডী তৈয়াৰ কৰা হৈছিল। অৱশ্যে এয়া আজিৰ দৰে কোমল আৰু দেখনিয়াৰ নাছিল।

পৰৱৰ্তী সময়ত ১৮৯৭ চনত দাঁতৰ চিকিৎসক উইলিয়াম মৰিছন আৰু জন চি ৱাৰ্টনে কটন কেণ্ডী তৈয়াৰ কৰিব পৰা মেচিন আৱিষ্কাৰ কৰিছিল। ১৯৭০ চনত স্বয়ংচালিত কটন কেণ্ডী তৈয়াৰ কৰিব পৰা মেচিন উদ্ভাৱন কৰা হয়। ফলত কটন কেণ্ডী তৈয়াৰ কৰাটো অধিক সহজ হৈ পৰে।

বৰ্তমান আমি খোৱা কটন কেণ্ডী তৈয়াৰ কৰিবলৈ বিজুলীচালিত মেচিন ব্যৱহাৰ কৰা হয়। ইয়াৰ চাৰিওফালে লোহাৰ আবৰণ থাকে। ইয়াৰ ঠিক মাজভাগত ৰং মিহলি চেনি দি দিয়া হয়, তাৰ পৰা নিৰ্দিষ্ট আকাৰত কটন কেণ্ডী তৈয়াৰ হৈ আহে। এডাল লাঠীৰ টুকুৰাৰে কটন কেণ্ডীক আকাৰ দিয়া হয়। কটন কেণ্ডীৰ ৰং সাধাৰণতে বগা। অৱশ্যে আজিকালি বিভিন্ন ৰঙৰ কটন কেণ্ডী তৈয়াৰ কৰা হয়। ইয়াক মুখত দিয়াৰ লগে লগে পমি নোহোৱা হৈ যায়।

কটন কেণ্ডীক ফ্ৰেৰী ফ্লচ আৰু কেণ্ডী ফ্লচ নামেৰেও জনা যায়।

বিশ্বৰ সবাতোকৈ ডাঙৰ কটন কেণ্ডী উৎপাদনকাৰী প্ৰতিষ্ঠান টুটচি ৰয়েল ইণ্ডাষ্ট্ৰিজে বিভিন্ন সোৱাদযুক্ত কটন কেণ্ডী তৈয়াৰ কৰি উলিয়ায়। এইবোৰক 'ফ্লাফি ষ্টাফ' বুলি জনা যায়।

আমেৰিকা যুক্তৰাষ্ট্ৰত ৭ ডিচেম্বৰৰ দিনটো 'ৰাষ্ট্ৰীয় কটন কেণ্ডী' দিৱস হিচাপে পালন কৰা হয়।

কটন কেণ্ডী অতি সোৱাদযুক্ত হোৱাৰ বাবে ১৯ শতিকাৰ মাজ ভাগৰ পৰা অন্য খাদ্যবস্তুৰ দৰে কটন কেণ্ডীয়ে বাণিজ্য ক্ষেত্ৰত সমাদৰ লাভ কৰে।

কটন কেণ্ডী খাবলৈ যিদৰে সুস্বাদু ঠিক তেনেদৰে ইয়াৰ উপকাৰিতাও আছে। ইয়াত থকা চেনিয়ে ব্যক্তিৰ শৰীৰত কৃত্ৰিম ৰক্তবাহিকা নিৰ্মাণ কৰাত সহায় কৰে, লগতে ই ব্যক্তিৰ যিকোনো কাম কৰাত মনোবল প্ৰদান কৰে আৰু মনোযোগ বঢ়ায়। অৱশ্যে অতিমাত্ৰা কটন কেণ্ডী খোৱাটো শৰীৰৰ বাবে অপকাৰী।

বৰ্তমান কটন কেণ্ডীৰ উৎপাদন তথা বিপণন এক বৃহৎ উদ্যোগলৈ পৰিণত হৈছে। বহু লোকে ইয়াৰ লগত জড়িত হৈ জীৱিকা অৰ্জন কৰি আছে। মেচিনৰ সহায়েৰে ২ৰ পৰা ৩ ঘণ্টাত ২০০ৰ পৰা ৪০০টা কটন কেণ্ডী সহজতে তৈয়াৰ কৰিব পৰা যায় আৰু ইয়াৰ খৰচো অতি কম। ❖

# The country without a capital

■ Jyotirupa Das

Every country has a capital. Some countries have two or three capitals. In sharp contrast, there is also a country with no capital city. That is Nauru, the pleasant island. It is world's third smallest island nation that has no official capital. It is located in Micronesia, the north-eastern part of Australia. With a population of approximately 10,000 Nauru spans through only 21 square kilometres. There are only 14 districts in it. It is smaller than all other countries except Vatican City and Monaco. Forget about having a capital city, Nauru does not even have a city. Now the question is how administration works in this country without a capital. Well, Nauru has a government of its own. All the government



offices and the Parliament Houses are in a district called Yaren. Yaren is also the home of Nauru International Airport. Surprisingly, Nauru is so small that the airport's run away stretches across the entire island. This small island has no railways nor any public transporation system. It has no armed forces. Australia is responsible for its defence. Although its official language is Nauruan, people here also speak English. ❖

# Can elephants swim ?

Amazingly, elephants are very strong natural swimmers. Their legs are so powerful that they can swim continuously for as long as six hours at a time. Their huge massive body give them much needed buoyancy (The upward force exerted by water) which enables them to float effortlessly. They often cross large water bodies in groups in search of food and shelter. They swim submerged with their head above water and mouth below, paddling through using all four legs. They keep their powerful trunk raised above the water and use it as a sort of snorkel. Hence they are able to breathe even when the rest of the



body stays in the water. It means it almost never drowns. In fact, elephants are fare in water rather than on land. They often swim together and splash one another with their limbs and trunks for pure enjoyment. ❖


## Stories from World Classics

# The Merchant of Venice

■ **Priom Saikia**

*(Continued from November Issue, 2022)*

When the news of Antonio's ships, which are lost in the sea, reaches Bassanio, he immediately leaves Belmont to help out his friend in need. In Venice, Antonio's trial is opened where the Duke pities his situation as Shylock is an 'inhuman wretch incapable of pity'. The Duke tries his best to persuade Shylock to be merciful to Antonio, but Shylock is adamant to take his revenge. Antonio displays that he is prepared to suffer Shylock's rage with quiet dignity.




As Shylock is summoned to the court, the Duke shares his belief that Shylock only means to terrify Antonio and will show mercy and forgive his debt at the end. However, his belief is shattered as soon as Shylock demands his 'bond' and get him a pound of Antonio's flesh. He makes his intention clear and if the Duke fails to offer justice then the entire justice system of Venice will be mocked. Also, Shylock refuses to explain the reason behind his cruel act.

In the gathered crowd, there is Bassanio who also tries to convince Shylock but Antonio interrupts as he knows that this is a futile attempt and no success will be gained. However, Bassanio doesn't lose hope and offers Shylock 6000 ducats which is twice the amount that Antonio owes to him. But that is an unsuccessful attempt as Shylock states that he won't even receive six times that amount.

Shylock tries to show that he has done nothing wrong and demands justice. He comments that the Venetians have purchased slaves, dogs and mules and as such these creatures belong to their owners. Similarly, Antonio's pound of flesh belongs to Shylock as he has purchased it.

An announcement has been made by the Duke where he has called a wise lawyer named Bellario to judge the case. A messenger has come carrying Bellario's letter and Salerio goes to get him and present the letter in the court. The messenger is Nerissa who has disguised herself as the lawyer's clerk and presents Bellario's letter to the Duke.


The Duke reports that Ballerio cannot come to the court, hence, he has recommended that the court hears the opinion of a young and learned lawyer named Balthazar who has studied the case with Ballerio and knows his opinion. Soon the young lawyer enters the courtroom but it is none other than Portia who has disguised herself as Balthazar. ❖

*(Continued...)*

# কাগজী মুদ্ৰাৰ প্ৰচলন

■ মানসী বৰুৱা




অৰ্থনীতিত প্ৰচলিত মুদ্ৰাই সৰ্বজনগৃহীত বিনিময়ৰ মাধ্যমক সূচায়। সাধাৰণতে এখন নিৰ্দিষ্ট চৰকাৰৰ প্ৰচলিত মুদ্ৰাই ৰাষ্ট্ৰখনৰ অৰ্থমুদ্ৰাৰ যোগানৰ কায়িক দিশটো সামৰি লয়।

বৰ্তমান আমি যি মুদ্ৰা ব্যৱহাৰ কৰি আছোঁ, সেই মুদ্ৰা একেৰাতিৰ ভিতৰতে সৃষ্টি হোৱা নাই। কেইবাটাও পৰ্য্যায় অতিক্ৰম কৰিহে আজিৰ ৰূপটো পৰিগ্ৰহণ কৰিছে।

অতীজৰে পৰা সমাজত প্ৰচলিত বিনিময় প্ৰথাক মুদ্ৰাৰ ক্ৰমবিকাশৰ এক পৰ্য্যায় বুলি ক'ব পাৰি। মুদ্ৰাৰ ক্ৰমবিকাশৰ পাঁচটা প্ৰধান স্তৰ পোৱা যায়। বিভিন্ন সময়ত মুদ্ৰা হিচাপে ব্যৱহৃত বস্তু বা ব্যৱস্থাবোৰ হ'ল— ক) বিনিময় প্ৰথা (barter system), খ) জন্তুমান (animal standard), গ) অমুদ্ৰিত ধাতুমান (bullion standard), ঘ) ধাতু মুদ্ৰা (coinage) আৰু ঙ) কাগজী মুদ্ৰা (paper money)।

বিনিময় প্ৰথাত বস্তুৰ সলনি বস্তুৰ বিনিময় চলিছিল। এই ব্যৱস্থাত সামগ্ৰীয়েই হিচাপ-নিকাচৰ মুদ্ৰা আৰু প্ৰকৃত মুদ্ৰা আছিল। কিন্তু বিনিময় প্ৰথাৰ কিছুমান অসুবিধা আছিল প্ৰধানকৈ অভাৱৰ সংগতিবিহীনতা আৰু সামগ্ৰী কিছুমানৰ অবিভাজ্যতাৰ সমস্যা। পৰবৰ্তী স্তৰত জন্তুক বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। জন্তুমানৰ অৱসানৰ পাছত সোণ, ৰূপ আদি ধাতুক মুদ্ৰা হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই ধাতুবোৰ সময়ত নিৰ্দিষ্ট সাঁচত মুদ্ৰিত কৰি প্ৰচলনৰ ব্যৱস্থা কৰা হ'ল। এইবোৰক ধাতু মুদ্ৰা বোলা হৈছিল। ধাতু মুদ্ৰাবোৰ কঢ়িয়াই ফুৰিবলৈ অসুবিধা হোৱাৰ বাবে সময়ৰ লগে লগে এইবিধ মুদ্ৰাৰো প্ৰচলন নোহোৱা হ'ল। মুদ্ৰিত ধাতুমানৰ পাছত কাগজী মুদ্ৰাৰ সৃষ্টি হ'ল। কাগজী মুদ্ৰাৰ ভিতৰত সকলো বেংক নোট আৰু চৰকাৰী নোটক ধৰা হয়, যিবোৰ কোনো অসুবিধা নোহোৱাকৈ এখন দেশৰ অৰ্থনীতিত প্ৰচলিত হয়।

কাগজী মুদ্ৰা দুই ধৰণৰ হ'ব পাৰে—

ক) পৰিবৰ্তনীয় বা প্ৰতিনিধিত্বমূলক আৰু খ) অপৰিবৰ্তনীয় বা অপ্ৰতিনিধিত্বমূলক।

প্ৰথম অৱস্থাত কাগজী মুদ্ৰা পৰিবৰ্তনীয় বা ৰূপান্তৰশীল আছিল। সেই সময়ত কাগজী মুদ্ৰাক সোণ বা ৰূপলৈ সলনি কৰিব পৰা গৈছিল। অৰ্থাৎ সেই সময়ৰ কাগজী মুদ্ৰাই তাত উল্লিখিত সম পৰিমাণৰ সোণ বা ৰূপক প্ৰতিনিধিত্ব কৰিছিল। মানুহে ধাতুৰ মুদ্ৰাবোৰ কঢ়িয়াই ফুৰিবলৈ অসুবিধা পাইছিল বাবে ধাতুৰ মুদ্ৰাৰ সলনি ধাতুৰ গৰাকীয়ে লিখি দিয়া কাগজ বা ৰছিদ এখনহে কঢ়িয়াই নিছিল। কালক্ৰমত সেই কাগজখনেই মুদ্ৰালৈ ৰূপান্তৰ হ'ল। যিবিলাক কাগজী

মুদ্ৰাক ধাতু মুদ্ৰা বা ধাতুৰ পৰিমাণেৰে পৰিবৰ্তন কৰিব পৰা যায় তেনে মুদ্ৰাক পৰিবৰ্তনীয় কাগজী মুদ্ৰা বোলা হয়।

বৰ্তমান প্ৰচলিত কাগজী মুদ্ৰাবোৰ অপৰিবৰ্তনীয়। ইয়াক সোণ বা ৰূপলৈ পৰিবৰ্তন কৰিব নোৱাৰি। সেয়েহে এইবোৰক অপৰিবৰ্তনীয় বা অপ্ৰতিনিধিত্বমূলক কাগজী মুদ্ৰা বোলে।

## ভাৰতবৰ্ষত প্ৰথম কাগজী মুদ্ৰাৰ প্ৰচলন

অষ্টাদশ শতিকাত ভাৰতবৰ্ষত ইউৰোপীয় বাণিজ্যিক কোম্পানী প্ৰতিষ্ঠাৰ লগে লগে কাগজী মুদ্ৰাৰ প্ৰচলন আৰম্ভ হয়। তাৰ আগলৈকে ভাৰতত সোণ-ৰূপৰ মুদ্ৰাৰ প্ৰচলন আছিল। কিন্তু ইউৰোপীয় বাণিজ্যিক প্ৰতিষ্ঠানসমূহে ভাৰতবৰ্ষত নিজৰ বেংক প্ৰতিষ্ঠা কৰাৰ লগে লগে প্ৰথম কাগজী মুদ্ৰাৰ প্ৰচলন হয়। বাণিজ্যৰ প্ৰসাৰৰ লগে লগে কাগজী মুদ্ৰাৰ ব্যৱহাৰো বৃদ্ধি হয়। ইউৰোপীয় বেংকৰ দ্বাৰা ছপা কৰা কাগজী মুদ্ৰা বা নোটত ইংলণ্ডৰ ৰাণীৰ প্ৰতিচ্ছবি সংযোজিত কৰা হৈছিল।

১৮৬১ চনৰ কাগজী মুদ্ৰা আইন কাৰ্য্যকৰী হোৱাৰ পাছৰ পৰাই বৃটিছ ঔপনিবেশিক চৰকাৰ দেশত কাগজী মুদ্ৰা প্ৰচলনৰ ক্ষেত্ৰত অধিক আগ্ৰহী হয়। পৰবৰ্তী সময়ত বেংকৰ পৰিবৰ্তে ৰাজ্যসমূহে মুদ্ৰা যোগানৰ অধিকাৰ লাভ কৰে। ৰাজ্যসমূহৰ দ্বাৰা প্ৰচলিত নোটসমূহে চৰকাৰৰ দ্বাৰা স্বীকৃতপ্ৰাপ্ত প্ৰথম কাগজী নোটৰূপে আত্মপ্ৰকাশ কৰে। ইংলণ্ডৰ ৰাণীৰ ফট' সম্বলিত এই নোটসমূহ ১০ টকা, ২০ টকা, ৫০ টকা, ১০০ টকা আৰু ১০০০ টকাৰ আছিল। ইংলণ্ডৰ বেংকে এই নোটসমূহ মুদ্ৰিত কৰিছিল। কেৱল ইংলণ্ডৰ বেংকেই নহয়, ১৮৯০ চনৰ শেষৰ ফালে ফৰাচী বেংকেও ভাৰতবৰ্ষত কাগজী মুদ্ৰা ছপা কৰিছিল। ইয়াক 'ৰূপী' (rupee) বোলা হৈছিল। ১৯৫৪ চনলৈ ভাৰতীয় বজাৰত এই নোটসমূহৰ প্ৰচলন আছিল। ১৮৬৩ চনত পৰ্টুগীজ চৰকাৰে প্ৰচলন কৰা 'ৰূপীয়া' (rupia) নোটসমূহ ভাৰতৰ বিভিন্ন প্ৰান্তত ১৯৬১ চনলৈকে প্ৰচলিত হৈ আছিল।

ভাৰতবৰ্ষত বৃটিছ ঔপনিবেশিক শাসন সুদৃঢ় হোৱাৰ লগে লগে কাগজী মুদ্ৰাৰ ক্ষেত্ৰতো বহু নতুনত্ব আহিল। ক্ৰমে ভাৰতীয় মুদ্ৰাৰ ইতিহাসত দুটা উল্লেখযোগ্য পৰিবৰ্তন সাধন হ'ল। ১৯২৮ চনত ভাৰতৰ প্ৰথমটো মুদ্ৰা ছপাশাল নাছিকত স্থাপিত হ'ল। দ্বিতীয়তে ১৯৩৫ চনত ভাৰতবৰ্ষৰ মুদ্ৰা ব্যৱস্থা নিয়ন্ত্ৰণৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংক (Reserve Bank of Inida–RBI) স্থাপন কৰা হ'ল। ১৯৩৮ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰজা জৰ্জ ষষ্ঠৰ (King Georg VI) প্ৰতিচ্ছবি সম্বলিত প্ৰথম নোট ছপা কৰি উলিয়ায়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাপানৰ পৰা ভাৰতলৈ সৰবৰাহ হোৱা জাল নোটৰ পৰা ভাৰতীয় মুদ্ৰাক সুৰক্ষিত কৰিবৰ বাবে ১৯৪৪ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকে বিশেষ কৌশলেৰে নতুন চিহ্ন সম্বলিত নোট ছপা কৰে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাত দেশত ঔপনিবেশিক চৰকাৰৰ প্ৰভাৱৰ পৰা মুক্ত সম্পূৰ্ণ নতুন মুদ্ৰাৰ প্ৰচলনৰ প্ৰয়োজন আহি পৰে। ফলস্বৰূপে, ১৯৪৯ চনত ৰাষ্ট্ৰীয় প্ৰতীক সম্বলিত এটকাৰ নোট স্বাধীনোত্তৰ ভাৰতৰ প্ৰথম নোট হিচাপে ছপা কৰা হয়। ১৯৯৬ চনত মহাত্মা গান্ধীৰ ফট' সম্বলিত বেংক নোট ছপা কৰি উলিওৱা হয়। সুৰক্ষা সংক্ৰান্তত আৰু দৃষ্টিহীনসকলৰ সুবিধাৰ্থে পৰবৰ্তী সময়ত এই নোটসমূহৰ উন্নত সংস্কৰণ ছপা কৰা হয়। ভাৰতীয় বেংক নোটৰ শেহতীয়া আৰ্হিৰ পৰিবৰ্তন ঘটাই ২০১১ চনৰ পৰা নতুন 'ৰূপী' মুদ্ৰাৰ চিহ্ন থকা বেংক নোটৰ প্ৰচলন কৰা হয়। ২০১৬ চনৰ ৮ নৱেম্বৰত ভাৰত চৰকাৰে ঘোষণা কৰা বিমুদ্ৰাকৰণ নীতিয়ে প্ৰচলিত ৫০০ টকা আৰু ১০০০ টকাৰ নোটৰ বিলুপ্তি ঘটাই তাৰ পৰিবৰ্তে নতুন ৫০০ টকা আৰু ২০০০ টকাৰ নোটৰ প্ৰচলন কৰে।

বৰ্তমান সময়ত অনলাইন মাধ্যমেৰে টকা-পইছাৰ লেনদেনৰ ক্ষেত্ৰত জনসাধাৰণ অধিক আগ্ৰহী হোৱা সত্বেও কাগজী নোটৰ চাহিদা হ্ৰাস পোৱা নাই। আৰম্ভণিৰে পৰা পৰিবৰ্তনৰ বিভিন্ন পৰ্য্যায় অতিক্ৰমি বৰ্তমানৰ প্ৰচলিত ৰূপ পৰিগ্ৰহণ কৰা কাগজী মুদ্ৰাৰ চাহিদা সমসাময়িক অৰ্থনীতিত কোনোকালে লাঘৱ নহ'ব বুলি আশা কৰা যায়। ❖

# স্মৰণীয় সময়, স্মৰণীয় ঘটনা

## (ভাৰতৰ স্বাধীনতাৰ ৭৫টা বছৰত)

■ অপৰ্ণা দেৱী

*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

**১৯৯০ চন : অৰ্থনৈতিক উদাৰীকৰণ :**

১৯৯১ চনৰ আগলৈ বিভিন্ন ব্যৱসায় আৰু কৰ্মৰ ক্ষেত্ৰত চৰকাৰৰ অধিক নিয়ন্ত্ৰণ আছিল। অৰ্থনৈতিক উদাৰীকৰণে বহুতো বাধ্যবাধকতা আৰু নিয়ন্ত্ৰণ আঁতৰ কৰিবলৈ সক্ষম হ'ল। যাৰ ফলত ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ গঠন খৰতকীয়া হ'ল। ব্যক্তিগত খণ্ডৰ কোম্পানীসমূহৰ ভিতৰত টেলিকমিউনিকেছন কোম্পানী অধিক খৰতকীয়াকৈ ঠন ধৰি উঠিল। ক্ৰেতাসকলে দৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত শ্ৰেষ্ঠ বা উত্তম দৰ নিৰ্দ্ধাৰণ কৰিবলৈ সক্ষম হ'ল। কিন্তু উদাৰীকৰণৰ বাবে কিছুমান অসুবিধাও আহি পৰিল। মুক্ত বজাৰ অৰ্থনীতিৰ বাবে বহুজাতিক কোম্পানীবোৰে সৰু কোম্পানীৰ ওপৰত আধিপত্য বিচাৰ কৰিবলৈ সক্ষম হ'ল। গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰতো ভালেখিনি পৰিবৰ্তন আহিল।

**নতুন ৰাজ্য গঠন :**

২০০০ চনত ছত্তিছগড়, উত্তৰাখণ্ড আৰু ঝাৰখণ্ড নামৰ তিনিখন ৰাজ্যৰ জন্ম হ'ল। ২০১৪ চনৰ ২ জুন তাৰিখে তেলেংগানা ৰাজ্য ঘোষণা হ'ল। ভাৰতৰ ৰাজ্যৰ সংখ্যা বৃদ্ধি হৈ ২৯ খন হ'ল। ২০২০ চনত জম্মু আৰু কাশ্মীৰক ২ খন কেন্দ্ৰীয়শাসিত অঞ্চল ক্ৰমে জম্মু-কাশ্মীৰ আৰু লাডাখলৈ পৰিবৰ্তন কৰা হ'ল। ফলত ভাৰতৰ ৰাজ্যৰ সংখ্যা ২৮ খন আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ সংখ্যা ৮খন হ'ল।

**জি-২০ আৰু ব্ৰিক্‌ছৰ সদস্য ভাৰত**

বিভিন্ন আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ এটা অংশ হৈছে ভাৰত। আন্তঃৰাষ্ট্ৰীয় সংগঠনবোৰে এখন দেশক বিভিন্ন দিশৰ সৈতে মোকাবিলা কৰাত সহায় কৰে। দেশসমূহৰ মাজত বাণিজ্যিক আৰু অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ চেষ্টা কৰে। উদাহৰণস্বৰূপে, জি-২০ৰ (G-20, Group of twenty) কথা ক'ব পাৰোঁ। ১৯৯৯ চনত গঠিত জি-২০ৰ এখন অন্যতম সদস্য ৰাষ্ট্ৰ হ'ল ভাৰত। জি-২০ মানে হৈছে ২০ খন সদস্য ৰাষ্ট্ৰৰ এটা সংগঠন।

ব্ৰিক্‌ছ (BRICS : Brazil, Russia, India, China, South Africa) নামৰ আন এটা সংগঠনৰো ভাৰত সদস্য। প্ৰথম অৱস্থাত ব্ৰাজিল, ৰাছিয়া, ভাৰত আৰু চীন দেশক লৈ সেই সংগঠনটো গঠিত আছিল। পৰৱৰ্তী সময়ত দক্ষিণ আফ্ৰিকাও সেই সংগঠনত জড়িত হৈছিল। পাঁচখন বৃহৎ অৰ্থনীতিৰ মাজত হোৱা চুক্তিৰ ফল হ'ল ব্ৰিক্‌ছ।

**এমজিএনৰেগা** (MGNREGA : Mahatma Gandhi National Rural Employment Guarantee Act)

কামৰ সন্ধানত গাঁও আৰু সৰু নগৰৰ পৰা বহুত মানুহ চহৰলৈ আহে। ইয়াকে প্ৰব্ৰজন বোলে। প্ৰব্ৰজনে চহৰসমূহত অত্যধিক জনসংখ্যাৰ সমস্যাৰ সৃষ্টি কৰে আৰু কম মজুৰিত শ্ৰমিক পাবৰ বাবে শোষণ আৰম্ভ হয়। গ্ৰাম্য অঞ্চলৰ লোকসকলৰ জীৱন নিৰ্বাহৰ মান উন্নত কৰাৰ বাবে চৰকাৰে এখন আঁচনি প্ৰবৰ্তন কৰে। গ্ৰাম্য অঞ্চলত বাস কৰা লোকসকলৰ প্ৰত্যেক পৰিয়ালৰ একোজনক এক নিৰ্দিষ্ট মজুৰিত বছৰত অন্ততঃ ১০০ দিনৰ কৰ্মৰ সুবিধা দিয়া এক আঁচনি গ্ৰহণ কৰিছে। সেই আঁচনিখনক মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ আঁচনি (এমজিএনৰেগা) ৰূপে জনা যায়।

**শিক্ষাৰ অধিকাৰ আইন**

২০০৯ চনৰ ৪ আগষ্ট তাৰিখে শিক্ষাৰ অধিকাৰ আইন গৃহীত হৈছিল। আমাৰ দেশৰ ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া শিক্ষা গ্ৰহণৰ অধিকাৰ দিছে আইনখনে। যিবোৰ শিশুৱে আধাতে পঢ়া এৰি দি বিদ্যালয়লৈ অহা বন্ধ কৰে, তেওঁলোকৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ কথাও শিক্ষাৰ অধিকাৰ আইনে সামৰি লৈছে। ❖ *(ক্ৰমশঃ)*

## শিক্ষাৰ্থীয়ে অঁকা ছবি আৰু তোলা আলোকচিত্ৰ



খ্যাতিৰত্না দত্ত, পঞ্চম খ



ৰাগিণী সংস্কৃতি বৰ্মন, অষ্টম গ



ড্ৰিমী পৰাশৰ, ষষ্ঠ ক




গাৰ্গী শৰ্মা, ষষ্ঠ খ



এমিলী বৰগোহাঞি, চতুৰ্থ ঘ



ৰাগিণী কাশ্যপ, চতুৰ্থ ঘ



পুনর্ণবা



নয়নতৰা



Nauru Island



বিক্রম-এছ